



গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৩০ জানুৱাৰী ২০২৬/১৬ মাঘ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৪১ ● Vol - 14, Issue - 41


# দুলীয়াজান বিধানসভা সমষ্টিত উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ

## দুলীয়াজান সমষ্টিত ১৮,৩২৩ গৰাকী উদ্যমী মহিলাই লাভ কৰিলে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰথম কিস্তিৰ ধন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ৰাজ্যৰ নাৰী সমাজৰ আৰ্থিক সবলীকৰণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুলীয়াজান বিধানসভা সমষ্টিৰ ১৮,৩২৩ গৰাকী উদ্যমী মহিলালৈ ১০ হাজাৰ টকাকৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। ইয়াকে ধৰি আঁচনিখনৰ জৰিয়তে এতিয়ালৈ ৰাজ্যৰ ৯২টা বিধানসভা সমষ্টিৰ ২২,৪৬,৫৫১ গৰাকী মহিলাৰ মাজত উদ্যমিতা পুঁজি বিতৰণ কৰা হ'ল। দুলীয়াজান সমষ্টিত সৰ্বমুঠ ১৮ কোটি ৩৭লাখ ৬৫ হাজাৰ টকা উদ্যমী মহিলাসকলক প্ৰদান কৰা হয়। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অৰুণোদয়, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আৰু নিযুত মইনা আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা মহিলাকেন্দ্ৰিক পদক্ষেপৰ কথা উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰৰ এই তিনিওখন আঁচনিৰ জৰিয়তে অসমৰ ৭০-৮০ লাখ মহিলা উপকৃত হৈছে। ড° শৰ্মাই মন্তব্য কৰে যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে আত্মসহায়ক গোটৰ সদস্যাসকলক ১০ হাজাৰ টকাকৈ প্ৰদানৰ আঁৰত প্ৰতিগৰাকী মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ সুদূৰপ্ৰসাৰী পৰিকল্পনা নিহিত হৈ আছে। ভাষণত মুখ্যমন্ত্ৰীয়ে অসমৰ আত্মসহায়ক গোটৰ ৪০ লাখ মহিলাৰ ৮ লাখে ইতিমধ্যে লাখপতি বাইদেউৰ শাৰীলৈ উন্নীত হোৱা বুলি উল্লেখ কৰি কয় যে নিজ প্ৰচেষ্টা আৰু কষ্টৰ বলত আন মহিলাসকলো লাখপতি বাইদেউৰ স্তৰলৈ উন্নীত হ'ব পাৰিব বুলি তেওঁ বিশ্বাস কৰে। ভাষণত মুখ্যমন্ত্ৰীয়ে সদৰী কৰে যে ৰাজ্যৰ আত্মসহায়ক গোটৰ ২০ হাজাৰ মহিলাই মহালাখপতি বাইদেউ হিচাপেও স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এই উদ্যমী মহিলাসকলে বছৰি এতিয়া ১০ লাখ টকাকৈ উপাৰ্জন কৰে। মুখ্যমন্ত্ৰীয়ে কয়-'এটা পৰিয়ালত পুৰুষ আৰু মহিলা উভয়ে যদি উপাৰ্জন কৰে তেনেহ'লে পৰিয়ালটোৰ আৰ্থিক অৱস্থা উন্নত হয়। মই বিচাৰোঁ অসমৰ প্ৰতিগৰাকী মহিলাই যিকোনো এবিধ উৎপাদনমুখী কামত জড়িত হৈ পৰক আৰু সমাজখনৰ নেতৃত্ব লৈ কিদৰে পৰিবৰ্তন আনিব পাৰে তাৰ নিদৰ্শন অসমৰ নাৰী সমাজে দাঙি ধৰক।' তেওঁ লগতে কয় যে ৰাজ্যত আত্মসহায়ক গোটসমূহ গঠনত চৰকাৰে সহায়ৰ হাত আগবঢ়াইছিল যাতে মহিলা সমাজেও বিভিন্ন উৎপাদনমুখী ক্ষেত্ৰত আত্মনিয়োগ কৰি আৰ্থিকভাৱে স্বাৱলম্বী হৈ নিজ পৰিয়ালৰ লগতে সমাজৰো প্ৰগতিত অৰিহণা আগবঢ়াব পাৰে। তেওঁ কয় যে আত্মসহায়ক গোটসমূহ গঠন হোৱাৰ পূৰ্বে ৰাজ্যৰ মহিলা সমাজে ঘাইকৈ ঘৰুৱা কাম-কাজতে নিজকে নিয়োজিত কৰি ৰাখিছিল। কিন্তু পৰৱৰ্তী পৰ্যায়ত আত্মসহায়ক গোটত জড়িত হৈ মহিলাসকলে বেংক ব্যৱস্থা আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত সৈতে পৰিচিত হৈ পৰে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে লাভ কৰা ধনৰ সদব্যৱহাৰেৰে আত্মসহায়ক গোটৰ মহিলাসকলে নিজকে লাখপতি বাইদেউৰ স্তৰলৈ উন্নীত কৰিব পাৰিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে উদ্যমিতা অভিযানৰ অধীনত প্ৰদান কৰা পুঁজিৰ সদব্যৱহাৰ কৰিবলৈ সভাত উপস্থিত মহিলাসকললৈ আহ্বান জনায়। তেওঁ কয় যে আত্মসহায়ক গোটৰ সদস্যাসকলে এই পুঁজি তিনি প্ৰকাৰে ব্যৱহাৰ কৰিব পাৰে। প্ৰথম কিস্তি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ পুঁজি আত্মসহায়ক গোটৰ সদস্যাসকলে তেওঁলোকৰ গোটত জমা কৰি সমূহীয়াভাৱে ব্যৱসায় কৰিব পাৰে বা গোটত জমা হোৱা সমুদায় ১ লাখ টকাৰ পুঁজিৰ পৰা ঋণ লৈও ব্যৱসায় কৰিব পাৰে। দ্বিতীয়তে তেওঁলোকে *১০ পৃষ্ঠাত*

# ডিব্ৰুগড়ত ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ত্ৰিৰংগ পতাকা উত্তোলন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ভাৰতবৰ্ষৰ গণৰাজ্য দিৱস উপলক্ষে অসম চৰকাৰে দ্বিতীয়বাৰৰ বাবে ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি পতাকা উত্তোলন কৰাৰ লগতে ৰাজ্যবাসীৰ উদ্দেশ্যি ভাষণ প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই জাতিৰ পিতা মহাত্মা গান্ধীৰ লগতে যিসকল মহান ভাৰতীয়ৰ ত্যাগৰ ফলত ভাৰতবৰ্ষই গণৰাজ্যৰ পৰিচয় লাভ কৰিলে তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। তেওঁ ভাৰতৰত্ন ড° বি আৰ আম্বেদকাৰৰ লগতে সংবিধানৰ প্ৰণেতাসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ২০২৬ বৰ্ষৰ পদ্মশ্ৰী সম্মানেৰে সন্মানীত অসমৰ পাঁচগৰাকীকৈ সুযোগ্য সন্তান ক্ৰমে- প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সদ্য প্ৰয়াত কবীন্দ্ৰ পুৰকায়স্থ, বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া, এড়ি আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰী, প্ৰসিদ্ধ ভাস্কয্য শিল্পী আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ আৰু প্ৰসিদ্ধ লোক শিল্পী পখিলা লেকথেপীৰ পদ্ম সম্মান প্ৰাপ্তিয়ে অসমবাসীক গৌৰৱান্বিত কৰিছে বুলি উল্লেখ কৰে। ড° শৰ্মাই প্ৰয়াত কবীন্দ্ৰ পুৰকায়স্থৰ পৰিয়ালবৰ্গৰ লগতে আন পদ্ম সন্মান প্ৰাপকসকলক অভিনন্দন জ্ঞাপন কৰে।ভাষণত মুখ্যমন্ত্ৰী ড°শৰ্মাই ভাৰতৰ সংবিধান ৰচনাৰ ঐতিহাসিক পটভূমিৰ কথা উল্লেখ কৰি এই ক্ষেত্ৰত লোকমান্য বাল গংগাধৰ তিলক, মতিলাল নেহৰুৰ লগতে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে লোৱা ভূমিকাৰ আলোকপাত কৰে। বাবা চাহেব আম্বেদকাৰক ভাৰতীয় সংবিধানৰ মূল ৰূপকাৰ বুলি উল্লেখ কৰি তেওঁ কয় যে জৱাহৰলাল নেহৰুৰ প্ৰাৰম্ভিক আপত্তি সত্ত্বেও জাতিৰ পিতা মহাত্মা গান্ধীৰ আস্থাত বাবা চাহেব আম্বেদকাৰে সংবিধানৰ খচৰা সমিতিৰ নেতৃত্ব লাভ কৰিছিল আৰু সংবিধান প্ৰণয়নৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ প্ৰচেষ্টাত দেশৰ সংবিধানখন ৰচনা হৈছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সংবিধানখন হৈছে ভাৰতীয় গণতন্ত্ৰৰ আত্মা। সংবিধানখনে আমাক যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাৰ আধাৰ দিছে আৰু বিকেন্দ্ৰীকৃত শাসন ব্যৱস্থাৰ জৰিয়তে সকলো অঞ্চলৰ সমবিকাশৰ *১০ পৃষ্ঠাত*

# অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে শিৱসাগৰৰ যোগাসন খেলুৱৈ বিৰিণা গোৱালাই



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** চীন দেশৰ মাকাওত যোৱা ১৪-১৫ জানুৱাৰীত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত পিএমশ্ৰী ১ নং টাউন প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী বিৰিণা গোৱালাই গৌৰৱান্বিত কৰিলে ৰাজ্যখনৰ লগতে ভাৰতবৰ্ষক। বিৰিণা গোৱালা শিৱসাগৰ জিলাৰ দিচাংমুখৰ চৰাইপৰা গাঁৱৰ অনিল গোৱালা আৰু সুনীতা পাংগিং গোৱালাৰ কন্যা। উল্লেখ্য যে, বিৰিণাই চাৰিটা শাখাত অনুষ্ঠিত যোগাসন প্ৰতিযোগিতাৰ ট্ৰেডিচনেল শাখাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। আনহাতে বিৰিণাই আৰ্টিষ্টিক পেয়াৰ-ৰিডমিক পেয়াৰত দ্বিতীয় স্থান আৰু চেম্পিয়ন অৱ দা চেম্পিয়নত দ্বিতীয় ৰাণাৰ আপৰ খিতাপ অৰ্জন কৰে। বিৰিণা গোৱালাৰ সাফল্যত শিৱসাগৰ জিলাবাসী উৎফুল্লিত হৈ পৰিছে। আনফালে উদীয়মান যোগাসন খেলুৱৈ বিৰিণা গোৱালাক সামাজিক ও সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'য়ে সংবাদ মাধ্যমৰ যোগেদি অভিনন্দন জ্ঞাপন কৰিছে।

# নগাঁৱত অসম পেৰা অলিম্পিক সংস্থাৰ নগাঁও জিলা পেৰা ক্ৰীড়া সংস্থা গঠন

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ ক্ৰীড়া জগতত এক নতুন অধ্যায়ৰ সূচনা কৰি শনিবাৰে অসম পেৰা অলিম্পিক সংস্থাৰ অধীনত নগাঁও জিলা পেৰা ক্ৰীড়া সংস্থা গঠন কৰা হয়। এই উপলক্ষে নগাঁও চহৰৰ খুটিকটীয়াৰ ডি আৰ টি হলত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত উপস্থিত থাকি অসম পেৰা অলিম্পিক সংস্থাৰ সাধাৰণ সম্পাদক ৰাজীৱ দেয়ে নতুন কমিটিখনৰ সন্দৰ্ভত কয় যে- পূৰ্বে নগাঁৱত জিলা পেৰা ক্ৰীড়া সংস্থাৰ কোনো শাখা নাছিল। সেইবাবেই জিলাখনত পেৰা-ক্ৰীড়াৰ উন্নয়নৰ বাবে একাংশ ক্ৰীড়া উদ্যোগী আৰু বিশেষজ্ঞৰ সৈতে বৈঠক কৰি আমি আনুষ্ঠানিকভাৱে এই নগাঁও জিলা পেৰা-ক্ৰীড়া সংস্থা গঠন কৰিলো। এই নতুন কমিটিয়ে অনাগত বছৰত নগাঁও জিলা পেৰা-ক্ৰীড়া সংস্থাই সুচাৰুৰূপে আগুৱাই লৈ যাব। সভাত অসম পেৰা অলিম্পিক সংস্থাৰ সভাপতি চন্দন বৰুৱাও উপস্থিত থাকি নতুন বিষয়ববীয়াসকলক আদৰণি জনাই কয় যে- আশা কৰিছো আগন্তুক সময়ত নগাঁও জিলা কমিটিৰ উদ্যোগত জিলাখনৰ পৰা বহু প্ৰতিভাসম্পন্ন খেলুৱৈ ওলাই আহিব। জিলাখনৰ লগতে সমগ্ৰ ৰাজ্যই এই বিশেষভাৱে সক্ষম খেলুৱৈসকলক লৈ গৌৰৱ কৰিব পাৰিব। অসম পেৰা অলিম্পিক সংস্থাৰ যুটীয়া সম্পাদক গীত গুঞ্জন ডেকাকে ধৰি কেইবাগৰাকীও ৰাজ্যিক পৰ্যায়ৰ বিষয়ববীয়া উপস্থিত থকা উক্ত সভাতে নতুনকৈ গঠন হোৱা কমিটিখনত উপদেষ্টা হিচাপে সমাজকৰ্মী অভিজিত নাথক দায়িত্ব অৰ্পণ কৰাৰ বিপৰীতে ক্ৰীড়া উদ্যোগী অমিতাভ বৰাক সভাপতি, শ্যামন্ত দাস আৰু ৰীতা বৈদ্যক কাকতিক উপ-সভাপতি, দুৰ্লভ পৱন বৰুৱাক সম্পাদক, অজয় শৰ্মা, ঋষভ জাজোদিয়া আৰু প্ৰত্যুষ প্ৰতিম বৰাক যুটীয়া সম্পাদক, জোন ৰাজখোৱাক কোষাধ্যক্ষৰ লগতে জনসংযোগ বিষয়া হিচাপে দায়িত্ব দিয়া হৈছে মনোজ লস্কৰক। তদুপৰি কাৰ্যবাহী সদস্য হিচাপে জুন মণি দাস, বংকিমা চক্ৰৱৰ্তী আৰু আনন্দ সুৰণাক কমিটিখনত অন্তৰ্ভুক্ত কৰা হৈছে। সভাত আগন্তুক দিনত জিলাখনত পেৰা-ক্ৰীড়া প্ৰতিযোগিতা, প্ৰশিক্ষণ শিবিৰ আৰু খেলুৱৈ বাছনি প্ৰক্ৰিয়া আদি আয়োজন কৰাৰ বিষয়টোত বিষদভাৱে আলোচনা কৰা হয়।

# নগাঁও জিলা আহোম সভাৰ উদ্যোগত দুদিনীয়াকৈ মে-ডাম-মে-ফীৰ আয়োজন

**জয়ন্ত মুদৈ, নগাঁওঃ** নগাঁও জিলা আহোম সভাৰ উদ্যোগত তথা ৰহা আঞ্চলিক আহোম সভা, ৰহা আঞ্চলিক টাই ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজৰ সহযোগত টাই আহোমসকলৰ এক অন্যন্য ধৰ্মীয় অনুষ্ঠান মে-ডাম-মে-ফী অহা ৩০ আৰু ৩১ জানুৱাৰীত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে ৰহাৰ গড়মাৰীত স্থাপিত ৰহিয়াল বৰুৱা ক্ষেত্ৰত উদ্‌যাপনৰ দিহা কৰা হৈছে। সেই উদ্দেশ্যে ড° দিনেশ হাজৰিকাক সভাপতি, ভূপেন বৰাক কাৰ্যকৰী সভাপতি আৰু চন্দন গগৈক সাধাৰণ সম্পাদক হিচাপে লৈ গঠিত উদ্‌যাপন সমিতিয়ে প্ৰয়োজনীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা সাত বজাৰ পৰা পৰিৱেশ নিকাকৰণ, বৃক্ষ ৰোপণ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিভা সন্ধানী অনুষ্ঠানৰ লগতে বিয়লি প্ৰতিনিধি পঞ্জীয়ন, সন্ধ্যা প্ৰতিনিধি সভা আৰু ফুৰা-লুং পূজা অনুষ্ঠিত কৰা হ'ব। প্ৰতিনিধি সভাখনি উদ্বোধন কৰিব বিশিষ্ট শিক্ষাবিদ, লেখক, সমাজকৰ্মী ঠগীত চন্দ্ৰ বৰুৱাই। দ্বিতীয় দিনা পুৱাৰ ভাগত বন্তি প্ৰজ্বলন, স্মৃতিচাৰণ আৰু মাল্যাৰ্পণ, খ্ৰীংফা উত্তোলন, মৈদাম তৰ্পণৰ অন্তত সমূহীয়া পূজা আৰু প্ৰাৰ্থনাৰ আৰম্ভ হ'ব। ইয়াৰ পিছতে এটি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সেইদৰে দুপৰীয়া নগাঁও জিলা আহোম সভাৰ সভাপতি ড° দিনেশ হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে ৰহাৰ মীন বিশ্ববিদ্যালয়ৰ ডীন ড° প্ৰদীপ চন্দ্ৰ ভূঞা উপস্থিত থাকিব। উক্ত সভাতে স্মৃতিগ্ৰন্থ উন্মোচন কৰিব ৰেখামণি বুঢ়াগোহাঁই, বন্তি হাজৰিকা আৰু অনিমা দাসে। ইফালে, নিশালৈ অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত বিশেষ আকৰ্ষণ হিচাপে নগাঁও জিলা আহোম সভাৰ মহিলা কোষৰ দ্বাৰা 'সতী জয়মতী' নাটৰ লগতে টাই ভাষাত শিশু নাট 'মৌং ডুন চুন খাম' প্ৰদৰ্শন কৰা হ'ব বুলি নগাঁও জিলা আহোম সভাৰ সাধাৰণ সম্পাদক মহেন্দ্ৰজিৎ বৰুৱাই জানিবলৈ দিছে।

# শুৱালকুছিৰ নিকটৱৰ্তী বাথানত মেগা হস্ততাঁত ক্লাষ্টাৰৰ বিশেষ সজাগতা সভা সম্পন্ন





**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কামৰূপ জিলাৰ শুৱালকুছিৰ নিকটৱৰ্তী বাথানত ২১ জানুৱাৰীত ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়ৰ (DC-Handloom) সৌজন্যত আৰু অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ দ্বাৰা ৰূপায়িত 'শুৱালকুছি মেগা হস্ততাঁত ক্লাষ্টাৰ' (Sualkuchi Mega Handloom Cluster) আঁচনিৰ অধীনত এক বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত সঞ্চালনা কৰে হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ গৱেষণা বিষয়া নিপন গোস্বামীয়ে। লগতে তেওঁ শুৱালকুছি মেগা হস্ততাঁত ক্লাষ্টাৰৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বিতং তথ্য দাঙি ধৰে। তেওঁ উল্লেখ কৰে যে এই বৃহৎ প্ৰকল্পৰ জৰিয়তে স্থানীয় শিপিনীসকলৰ বাবে অত্যাধুনিক সা-সুবিধা, উন্নত মানৰ তাঁতৰ শাল (Looms), গুণগত কেঁচামালৰ যোগান আৰু উৎপাদিত বস্ত্ৰৰ বিপণনৰ এক সুদৃঢ় ব্যৱস্থা গঢ়ি তোলা হৈছে। সভাত হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ কামৰূপ জিলাৰ সহকাৰী সঞ্চালক কবিন চন্দ্ৰ নাথ আৰু ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনস্থ শিপিনী সেৱা কেন্দ্ৰৰ বিষয়া শাৰলংকিৰি টিছু ৰংচিটিম উপস্থিত থাকে। তেওঁলোকে শিপিনীসকলক আধুনিক প্ৰযুক্তি আৰু চৰকাৰী আঁচনিৰ সঠিক প্ৰয়োগৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়। সজাগতা সভাখনত নিম্নলিখিত ব্যক্তিসকল উপস্থিত থাকে নিত্যানন্দ দাস, সম্পাদক, বাথান প্ৰগতিশীল সমাজ, গদাধৰ দাস, বিশিষ্ট সমাজকৰ্মী, সত্যজিৎ দাস, শৈলেন ডেকা আৰু অন্যান্য গণ্য-মান্য ব্যক্তিবৃন্দ। বিশেষজ্ঞসকলে উপস্থিত শিপিনীসকলক আহ্বান জনায় যাতে তেওঁলোকে এই চৰকাৰী আঁচনিসমূহৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি শুৱালকুছিৰ ঐতিহ্যমণ্ডিত হস্ততাঁত শিল্পক বিশ্ব দৰবাৰত এক নতুন মাত্ৰা প্ৰদান কৰে। শলাগৰ শৰাইৰে সভাৰ সামৰণি মৰা হয়।

# কামৰূপ জিলাত ১৬ সংখ্যক ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপন




**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা নিৰ্বাচনী কাৰ্যালয়ৰ উদ্যোগত যোৱা ২৫ জানুৱাৰীত সংহত কামৰূপৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত ১৬ সংখ্যক ৰাষ্ট্ৰীয় ভোটাৰ দিৱসটি উদ্‌যাপন কৰা হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে আমাৰ অসম কাকত আৰু এন কে টিভিৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামী। অনুষ্ঠানত বক্তব্য ৰাখি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এক সুস্থ গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তব্য ৰাখে। তেওঁ গণতান্ত্ৰিক ব্যৱস্থাৰ অংশস্বৰূপে অনুষ্ঠিত নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰতি গৰাকী ভোটদাতাৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা আৰু ভোটদাতাসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰতো ব্যাখ্যা আগবঢ়ায়। জিলা আয়ুক্ত গৰাকীয়ে অনুষ্ঠানত নৱপ্ৰজন্মক গণতান্ত্ৰিক ব্যৱস্থাত অংশগ্ৰহণ কৰি সঠিক জনপ্ৰতিনিধি নিৰ্বাচনৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত অৰিহণা আগবঢ়াবলৈও আহ্বান জনায়। আয়ুক্ত গৰাকীয়ে লগতে কয় যে সচেতন, জ্ঞানী আৰু সক্ৰিয় নাগৰিকেই গণতন্ত্ৰৰ আচল শক্তি। যুৱ প্ৰজন্মই নিজৰ ভোটাধিকাৰক দায়িত্ব আৰু গৌৰৱ ৰূপে গ্ৰহণ কৰিব লাগিব। তেওঁলোকৰ অংশগ্ৰহণে চৰকাৰী ব্যৱস্থাত স্বচ্ছতা আৰু জবাবদিহিতা বৃদ্ধি কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি মনোজ কুমাৰ গোস্বমীয়ে কয় যে 'ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াই সময়ৰ সৈতে বহু গুৰুত্বপূৰ্ণ সংস্কাৰ আৰু পৰিৱৰ্তন দেখিছে, কাগজত ভোটৰ পৰা ইলেকট্ৰনিক ভোটিং মেচিন (EVM)লৈ, তাৰ পিছত VVPAT প্ৰণালী, বয়োজ্যেষ্ঠ আৰু অক্ষম ভোটাৰসকলৰ বাবে সুলভ ভোটদান ব্যৱস্থা আৰু ভোটাৰ তালিকাৰ স্বচ্ছতা এই সকলো উন্নতিসমূহ ভাৰতীয় গণতন্ত্ৰৰ পৰিপক্কতাৰ প্ৰতীক।' তেওঁ লগতে অসম তথা সমগ্ৰ ভাৰতবৰ্ষত নাগৰিক তথা বিশেষকৈ নৱপ্ৰজন্ম ভোটাৰসকলক সক্ৰিয়ভাৱে ভোট দান কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত কামৰূপৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়া, অতিৰিক্ত জিলা আয়ুক্ত সকল ক্ৰমে গৰ্গমোহন দাস, গীতাশ্ৰী লাচিত, বিক্ৰম ছেত্ৰী, প্ৰাণজিত কুমাৰ দেৱ, ৰঙিয়াৰ সম-জিলা আয়ুক্ত দেৱাশীষ গোস্বামী, নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপৰ লগতে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰীয় বৌদ্ধিক শঙ্কৰ দাসৰ মাতৃৰ দেহাৱসান

## সৰবৰহী মহিলা নীহাৰিকা দাসৰ মৃত্যুত শোক



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত হালোগাঁও নিৱাসী মুক্তি যুঁজাৰু প্ৰয়াত লক্ষেশ্বৰ দাসৰ পত্নী আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰীয় বৌদ্ধিক প্ৰমুখ শংকৰ দাসৰ মাতৃ সৰবৰহী তথা ধৰ্মপ্ৰাণ মহিলা নীহাৰিকা দাসৰ ১৬ জানুৱাৰীৰ দুপৰীয়া নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোক প্ৰাপ্তি হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৭ বছৰ। জানিব পৰা মতে, কিছুদিন পূৰ্বে ঘৰতে পিছলি পৰি ভৰি এখন ভাঙি যোৱাত চিকিৎসকৰ পৰামৰ্শত ঘৰতে চিকিৎসা চলি আছিল যদিও দুপৰীয়া শেষ নিশ্বাস ত্যাগ কৰে। এগৰাকী ধৰ্মপ্ৰাণ মহিলা হিচাপে অঞ্চলটোৰ বিভিন্ন ধৰ্মীয় আৰু সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাত বহু গুণমুগ্ধ ব্যক্তিৰ লগতে বিজেপি নেতা প্ৰকাশ চন্দ্ৰ দাস, বিশিষ্ট উদ্যোগপতি বনমালী দাস, দাপোনৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰকায়স্থ, জিয়াউল হ'ক প্ৰমুখ্যে বিভিন্ন ব্যক্তি তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰে। তেওঁৰ মৃত্যুত হালোগাঁও বেচৰকাৰী পঞ্চায়ত, সেৱক সংঘ আৰু পুথিভঁৰাল, লাহ-কয়াটোল-হালোগাঁও পঞ্চায়তৰ সভাপতি অনিল পাঠক, হাজো আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী অৰ্পনা বৰ্মন প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তিয়ে শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত সাত গৰাকী পুত্ৰ, এগৰাকী কন্যা, জোঁৱাই নাতি-নাতিনীসহ বহু আত্মীয়ক ইহ সংসাৰত এৰি যায়।

# ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ভূত চিকাৰী (Ghost hunter) ‘গৌৰৱ তিৱাৰী’ আৰু এক অমীমাংসিত ৰহস্য

■ কাজি শ্বাহাদত ইছলাম
সোনাইঘুলী, গুৱাহাটী



বিজ্ঞানৰ চিৰিয়েদি ওপৰলৈ উঠি মুক্ত আকাশত উৰি ফুৰা এজন মানুহ। যাৰ পেশাও বিজ্ঞানৰ আৱৰ্তনৰ ভিতৰত, এদিন হঠাৎ মানুহজনে যেতিয়া অবৈজ্ঞানিক বিষয় এটাত প্ৰৱেশ কৰি নিজৰ সপোনৰ পেশাটোকো ত্যাগ কৰিব বিচাৰিব, তেতিয়া আচৰিত লাগিব নহয়নে? হয়, তলত তেনে এজন মানুহৰ কথাকে আলোচনা কৰিব ওলাইছোঁ। নাম তেওঁৰ গৌৰৱ তিৱাৰী। ভাৰতীয় পেৰানৰ্মেল গৱেষণাৰ ইতিহাসত গৌৰৱ তিৱাৰী এক অবিস্মৰণীয় নাম। এজন বৈমানিক (Pilot) হিচাপে জীৱন আৰম্ভ কৰি ভাৰতৰ আটাইতকৈ প্ৰখ্যাত ‘পেৰানৰ্মেল ইনভেষ্টিগেটৰ’ হৈ পৰা গৌৰৱৰ জীৱনটো কোনো চিনেমাৰ কাহিনীতকৈ কম নাছিল। যিয়ে গোটেই জীৱন বিজ্ঞানৰ সঁজুলিৰে ভূতৰ অস্তিত্বৰ ৰহস্য ফাদিল কৰিবলৈ চেষ্টা কৰিছিল, তেওঁৰ মতে, ‘যদি সেইবোৰ শক্তি হয়, তেন্তে সেই শক্তিৰো এক নিজস্ব অস্তিত্ব আৰু অধিকাৰ আছে।’ অৱশ্যে তেওঁৰ নিজৰ মৃত্যুৰেই আজিলৈকে এক ডাঙৰ ৰহস্য হৈ ৰৈ গৈছে।

গৌৰৱ তিৱাৰীৰ জন্ম হৈছিল ২ ছেপ্টেম্বৰ ১৯৮৪ চনত বিহাৰৰ (Bihar) এখন সৰু চহৰত, যদিও তেওঁৰ পৰিয়ালটো পিছলৈ দিল্লীত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল। তেওঁৰ শৈশৱ আৰু কৈশোৰৰ বেছিভাগ সময় উত্তৰ ভাৰত আৰু বিশেষকৈ দিল্লীতে অতিবাহিত হৈছিল। গৌৰৱ তিৱাৰীৰ প্ৰাৰম্ভিক জীৱনৰ পটভূমিত তেওঁৰ পৰিয়ালৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আছিল। তেওঁৰ পিতৃ উদয় তিৱাৰীৰ সমৰ্থনৰ বাবেই তেওঁ প্ৰথমে এজন পাইলট হোৱাৰ সাহস কৰিছিল আৰু পিছলৈ সম্পূৰ্ণ এক পৃথক তথা ৰহস্যময় জগতত নিজৰ কেৰিয়াৰ গঢ়িবলৈ সক্ষম হৈছিল। দিল্লীত ডাঙৰ-দীঘল হোৱা বাবে তেওঁৰ মাজত এক আধুনিক আৰু যুক্তিবাদী দৃষ্টিভংগী গঢ় লৈ উঠিছিল। যিটোৱে তেওঁক পৰম্পৰাগত ‘তান্ত্ৰিক’ বা ‘বেজ’তকৈ পৃথক কৰি এজন বৈজ্ঞানিক অনুসন্ধানকাৰী হিচাপে গঢ়ি তুলিছিল। গৌৰৱ তিৱাৰীৰ শিক্ষা জীৱন আছিল যথেষ্ট বৈচিত্ৰ্যপূৰ্ণ। তেওঁ বিহাৰত জন্মগ্ৰহণ কৰিলেও তেওঁৰ শিক্ষা আৰু কেৰিয়াৰৰ বাবে তেওঁ বিভিন্ন ঠাইত থাকিবলগীয়া হৈছিল। তেওঁ কেৱল এভিয়েশ্যন বা বিমান চালনাৰ শিক্ষাই লৈছিল এনে নহয়, তেওঁ অভিনয় আৰু পেৰানৰ্মেল বিজ্ঞানৰো উচ্চ শিক্ষা গ্ৰহণ কৰিছিল। তেওঁৰ স্কুলীয়া শিক্ষা মূলতঃ দিল্লীতে সম্পূৰ্ণ কৰিছিল। তেওঁ এজন মেধাৱী ছাত্ৰ আছিল আৰু শৈশৱৰে পৰা নতুন কিবা এটা জনাৰ প্ৰতি তেওঁৰ যথেষ্ট আগ্ৰহ আছিল। পাইলট হোৱাৰ আগতে তেওঁ কিছু সময় অভিনয়ৰ প্ৰতিও আকৰ্ষিত হৈছিল। তেওঁ হাৰিয়ানাৰ এখন ইনষ্টিটিউটৰ পৰা অভিনয়ৰ শিক্ষা লৈছিল। ইয়াৰ পিছত তেওঁ কিছুমান বিজ্ঞাপন আৰু টেলিভিছন ধাৰাবাহিকতো সৰু-সুৰা কাম কৰিছিল।

তেওঁৰ কেৰিয়াৰ আৰম্ভ হৈছিল আকাশত উৰাৰ সপোনেৰে। ২০০৩ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছ (Texas)ৰ হিউষ্টন (Huoston)ত থকা এক উড্ডয়ন একাডেমীত ভৰ্তি হয়। তাত তেওঁ কঠোৰ পৰিশ্ৰম কৰি Commercial Pilot License (CPL) লাভ কৰে।

বাণিজ্যিক পাইলটৰ প্ৰশিক্ষণ লৈ থকাৰ সময়তে প্ৰথমবাৰৰ বাবে এক বিচিত্ৰ অভিজ্ঞতাৰ সন্মুখীন হয়। তেওঁ বাস কৰা এপাৰ্টমেণ্টটোত কিছুমান অস্বাভাৱিক শব্দ আৰু এজনী সৰু ছোৱালীৰ অবয়ব দেখাৰ পিছত তেওঁৰ মনত কৌতূহলৰ সৃষ্টি হয়। এজন যুক্তিবাদী মানুহ হিচাপে তেওঁ ইয়াৰ বৈজ্ঞানিক ব্যাখ্যা বিচাৰিবলৈ ধৰে আৰু এইদৰেই তেওঁৰ কেৰিয়াৰ সলনি হয়। ২০০৯ চনৰ মাজভাগত তেওঁ পাইলটৰ চাকৰি এৰি আমেৰিকাৰ পৰা পেৰানৰ্মেল ইনভেষ্টিগেচনত প্ৰশিক্ষণ লৈ ভাৰতলৈ উভতি আহে আৰু IPS অৰ্থাৎ ইণ্ডিয়ান পেৰানৰ্মেল ছ’চাইটি (Indian Paranormal Society)ৰ প্ৰতিষ্ঠা কৰে।

IPS (Indian paranormal society)-ৰ মূল মন্ত্ৰ আছিল- "Humanity over Fear" অৰ্থাৎ ভয়তকৈ মানৱতা আগত। আৰু ইয়াৰ মূল উদ্দেশ্যসমূহ আছিল অতি স্পষ্ট আৰু বৈজ্ঞানিক। তেওঁলোকে কেৱল ভূত বিচাৰি ফুৰা নাছিল, বৰঞ্চ সমাজত প্ৰচলিত অন্ধবিশ্বাসবোৰৰ মূল হোতা বিচাৰি উলিয়াই তাক সমূলে দূৰ কৰিবলৈহে চেষ্টা কৰিছিল।

ইয়াৰ মূল উদ্দেশ্যসমূহ বিতংভাৱে তলত আলোচনা কৰা হ’ল ঃ

১। অন্ধবিশ্বাস দূৰ কৰা (Removing Superstitions)

ভাৰতীয় সমাজত বহুলভাৱে প্ৰচলিত বিষয় হ’ল অন্ধবিশ্বাস আৰু কাল্পনিক (যদিও যুক্তিহীন) শক্তিৰ প্ৰতি ভয়ভাৱ থকা। এইবোৰক বৈজ্ঞানিক যুক্তিৰে প্ৰত্যাহ্বান জনোৱা আছিল তেওঁলোকৰ প্ৰধান লক্ষ্য। বহুক্ষেত্ৰত মানুহে যাক ‘ভূতৰ কাণ্ড’ বুলি ভাবিছিল, গৌৰৱে তাক প্ৰাকৃতিক বা বৈজ্ঞানিক কাৰণ (যেনে- গছৰ ছাঁ, বতাহৰ শব্দ বা মানসিক ভ্ৰম) বুলি প্ৰমাণ কৰিছিল।

২। বৈজ্ঞানিক গৱেষণা (Scientific Research)

অতিপ্ৰাকৃতিক পৰিঘটনাবোৰক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা। তেওঁলোকে বিশ্বাস কৰিছিল যে যাক আমি ‘ভূত’ বুলি কওঁ, সেয়া আচলতে এক প্ৰকাৰৰ শক্তি বা Energy। এই শক্তিক EMF মিটাৰ বা EVP ৰেকৰ্ডাৰৰ দৰে আধুনিক সঁজুলিৰে ধৰা পেলোৱাই আছিল তেওঁলোকৰ কাম।

৩। মানসিক সহায় আগবঢ়োৱা (Mental Support)

যিবোৰ মানুহে ভাবে যে তেওঁলোকৰ ঘৰত কোনো ভূত, প্ৰেত, জ্বীন, আত্মা বা নেতিবাচক শক্তি আছে, সেই পৰিয়ালবোৰক সহায় কৰা। তেওঁলোকে তান্ত্ৰিক বা বেজৰ দৰে মানুহক ঠগোৱাৰ পৰিৱৰ্তে, পৰিয়ালটোক মানসিক সাহস দিছিল আৰু যদি কিবা সমস্যা থাকে, তাৰ যুক্তিসংগত সমাধান দিছিল।

৪। ভয় জয় কৰা (Overcoming Fear)

সাধাৰণ মানুহৰ মনৰ পৰা মৃত্যু আৰু পৰলোকলৈ থকা ভয় আঁতৰ কৰা। গৌৰৱ তিৱাৰীয়ে সদায় কৈছিল- ‘অজ্ঞানেই হৈছে ভয়ৰ মূল কাৰণ।’ যেতিয়া মানুহে কোনো এটা বস্তুৰ বৈজ্ঞানিক ব্যাখ্যা জানিব পাৰে, তেতিয়া তেওঁলোকৰ ভয় নোহোৱা হৈ যায়।

৫। পেৰানৰ্মেল শিক্ষা প্ৰদান (Education)

ভাৰতত পেৰানৰ্মেল ইনভেষ্টিগেচনক এক পেছাদাৰী শাখা হিচাপে গঢ়ি তোলা। তেওঁলোকৰ সংস্থাৰ জৰিয়তে এই বিষয়ত আগ্ৰহী নতুন প্ৰজন্মক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। কাৰণ নতুন প্ৰজন্মৰ হাতত পৰৱৰ্তী সময়ৰ সমাজ তথা দেশৰ ভৱিষ্যত দায়িত্ব আহে।

তেওঁৰ দলটোৱে বিভিন্ন উচ্চমানৰ সঁজুলি যেনে- EMF Meter, Spirit Box, Laser Grid আৰু, EVP Recorder ব্যৱহাৰ কৰি অদৃশ্য শক্তিৰ অনুসন্ধান চলাইছিল। এই ক্ষেত্ৰত তেওঁ প্ৰায় ৬,০০০ তকৈও অধিক ৰহস্যময় স্থান ভ্ৰমণ কৰিছিল।

অনুসন্ধান চলোৱা উল্লেখযোগ্য অনুসন্ধানসমূহ ঃ

গৌৰৱ তিৱাৰীয়ে ভাৰতৰ বহুতো তথাকথিত ‘অভিশপ্ত’ ঠাইত গৈ অনুসন্ধান চলাইছিল। তাৰে ভিতৰত উল্লেখযোগ্য ঠাই আছিল ভানগড় দুৰ্গও কুলধাৰা। ৰাজস্থানৰ এই ঠাইবোৰত তেওঁ নিশা কটাইছিল আৰু কিছুমান অস্বাভাৱিক শক্তিৰ উপস্থিতিৰ বৈজ্ঞানিক প্ৰমাণ পাইছিল।

অদৃশ্য শক্তিৰ ভয়ক জয় কৰিবলৈ তেওঁ আনকি হাস্পাতালৰ মৰ্গ (morgue)-ৰ ভিতৰতো মৃতদেহৰ সৈতে সময় কটাইছিল।

গৌৰৱ তিৱাৰীয়ে টেলিভিছন শ্ব’ ঃ 'Fear Files', 'Bhoot Aaya' আৰু 'Haunted Weekends' ৰ দৰে অনুষ্ঠানৰ জৰিয়তে বৰকৈ জনপ্ৰিয় হৈ পৰিছিল।

Fear files

এই ধাৰাবাহিকখনৰ মূল বৈশিষ্ট্য আছিল যে ইয়াত দেখুওৱা কাহিনীবোৰ কাল্পনিক নাছিল। ভাৰতৰ বিভিন্ন প্ৰান্তত ঘটা বাস্তৱিক অতিপ্ৰাকৃতিক কাণ্ড বা ‘পেৰানৰ্মেল’ ঘটনাবোৰক ইয়াত পুনৰ নিৰ্মাণ (Reconstruction) কৰি দেখুওৱা হৈছিল। গৌৰৱ তিৱাৰী আছিল এই শ্ব’টোৰ এজন পৰামৰ্শদাতা (Consultant) আৰু বিশেষজ্ঞ। তেওঁ আৰু তেওঁৰ দল ‘ইণ্ডিয়ান পেৰানৰ্মেল ছ’চাইটি’য়ে বহুতো খণ্ডত ব্যৱহৃত হোৱা তথ্যসমূহৰ সত্যতা নিৰূপণ কৰিছিল। তেওঁ নিজে কেইবাটাও খণ্ডত এজন বিশেষজ্ঞ হিচাপে উপস্থিত থাকি সেই নিৰ্দিষ্ট ঘটনাটোৰ বৈজ্ঞানিক ব্যাখ্যা আগবঢ়াইছিল।

Bhoot Aaya.

Bhoot Aaya. আছিল ভাৰতীয় দূৰদৰ্শনৰ আন এখন অতি জনপ্ৰিয় ভৌতিক ধাৰাবাহিক, যিখন Sony TV-ত সম্প্ৰচাৰিত হৈছিল। ই 'Fear Files'-ৰ দৰেই আছিল যদিও ইয়াৰ উপস্থাপন শৈলী কিছু পৃথক আছিল।

গৌৰৱ তিৱাৰী আৰু Indian Paranormal Society-ৰ বাবে এই অনুষ্ঠানটো অতি গুৰুত্বপূৰ্ণ আছিল। ইয়াৰ মূল বৈশিষ্ট্যসমূহ তলত দিয়া হ’ল ঃ

বাস্তৱ সাক্ষীৰ উপস্থিতি (Real Witnesses).

'Bhoot Aaya'-ৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য আছিল যে যিবোৰ মানুহৰ সৈতে সেই অঘটনবোৰ ঘটিছিল, তেওঁলোকে নিজে কেমেৰাৰ সন্মুখলৈ আহি নিজৰ অভিজ্ঞতাৰ কথা কৈছিল। সেই সঁচা কাহিনীবোৰক ভিত্তি কৰি পৰৱৰ্তী সময়ত নাটকীয় ৰূপ (Dramatization) দিয়া হৈছিল।

গৌৰৱ তিৱাৰী আৰু তেওঁৰ দলৰ ভূমিকা ঃ

এই অনুষ্ঠানটোত গৌৰৱ তিৱাৰী আৰু তেওঁৰ সংস্থা Indian Paranormal Society (IPS) আছিল অফিচিয়েল ‘পেৰানৰ্মেল পাৰ্টনাৰ’। প্ৰতিটো খণ্ডৰ শেষত গৌৰৱ তিৱাৰীক এজন বিশেষজ্ঞ হিচাপে দেখা গৈছিল।

তেওঁ সেই নিৰ্দিষ্ট ঘটনাটো বিশ্লেষণ কৰিছিল আৰু তাৰ আঁৰত কি ধৰণৰ আত্মা বা শক্তি (যেনে ঃ Poltergeist, Residual Energy, বা Shadow Person) আছিল, সেই বিষয়ে বৈজ্ঞানিক ধাৰণা দিছিল।

অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ

এই শ্ব’টোৰ এটা মূল উদ্দেশ্য আছিল মানুহক ভণ্ড তান্ত্ৰিকৰ পৰা ৰক্ষা কৰা। গৌৰৱে প্ৰায়ে কৈছিল যে বহুতো সমস্যা যিবোৰ মানুহে ভূত বুলি ভাবে, সেইবোৰ আচলতে মানসিক ৰোগ বা ঘৰৰ পৰিৱেশৰ দোষত হয়। তেওঁ দৰ্শকক এইবোৰৰ মাজৰ পাৰ্থক্য বুজাই দিছিল।

আধুনিক সঁজুলিৰ ব্যৱহাৰ ঃ

'Bhoot Aaya' অনুষ্ঠানটোত গৌৰৱ তিৱাৰীয়ে ব্যৱহাৰ কৰা উচ্চমানৰ সঁজুলিবোৰ (যেনে ঃ Thermal Camera, Motion Sensors) দৰ্শকৰ বাবে অতি আকৰ্ষণীয় আছিল। তেওঁ প্ৰমাণ কৰি দেখুৱাইছিল যে অতিপ্ৰাকৃতিক অনুসন্ধান কেৱল এটা ধাৰণা নহয়, ই এক বিজ্ঞান।

এই ধাৰাবাহিকখনে গৌৰৱ তিৱাৰীক এজন ‘পেৰানৰ্মেল এক্সপাৰ্ট’ হিচাপে ৰাষ্ট্ৰীয় পৰ্যায়ত এক মজবুত মৰ্যাদা দিছিল। মানুহে বুজি উঠিছিল যে তেওঁ কেৱল এজন অভিনেতা নহয়, বৰঞ্চ এজন প্ৰকৃত বিশেষজ্ঞ যিয়ে জীৱনৰ বিপদাপদ নেওচিও সত্যৰ সন্ধান কৰে।

গৌৰৱৰ জীৱনৰ আটাইতকৈ কৰুণ আৰু ৰহস্যময় অধ্যায়টো আছিল তেওঁৰ মৃত্যু। ২০১৬ চনৰ ৭ জুলাইত দিল্লীৰ নিজৰ বাসগৃহৰ স্নানাগাৰত তেওঁক অচেতন অৱস্থাত পোৱা যায়। তেওঁৰ ডিঙিত এটা গভীৰ ক’লা দাগ আছিল। মৃত্যুৰ কিছু দিন আগৰে পৰাই গৌৰৱে তেওঁৰ পত্নী আৰ্য্যক কৈছিল যে কোনোবা এটা অদৃশ্য নেতিবাচক শক্তিয়ে তেওঁক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিছে। সেই সময়ত তেওঁ দিল্লীৰ জনকপুৰীৰ এটা পৰিয়ালত এজনী সৰু ছোৱালীৰ আত্মাৰ বিষয়ে অনুসন্ধান চলাই আছিল। আৰক্ষীৰ মতে এইটো এটা আত্মহত্যা আছিল যদিও তেওঁৰ পৰিয়াল আৰু অনুগামীসকলে আজিও ইয়াক মানি ল’ব পৰা নাই। যাৰ বাবে গৌৰৱ তিৱাৰীৰ মৃত্যু আজিও বহুতো ৰহস্যৰে আৱৰ্ত হৈ আছে। আৰক্ষীৰ প্ৰতিবেদনত ইয়াক আত্মহত্যা বুলি কোৱা হৈছিল যদিও, তেওঁৰ পৰিয়াল আৰু অনুৰাগীসকলৰ মতে ইয়াৰ আঁৰত অন্য কাৰণ থাকিব পাৰে।

গৌৰৱ তিৱাৰীয়ে আত্মহত্যা কৰা নাই বুলি ভবাৰ কেইটামান প্ৰধান যুক্তি তলত দিয়া হ’ল ঃ

-এজন মানুহ যিয়ে হাজাৰ হাজাৰ লোকক ভয়ৰ বিৰুদ্ধে যুঁজিবলৈ শিকাইছিল, যিয়ে ভূত বুলি একো নাই বুলি বৈজ্ঞানিক যুক্তি দিছিল, তেওঁ হঠাতে কিয় আত্মহত্যা কৰিব?

-সাধাৰণতে যিকোনো আত্মহত্যাৰ ঘটনাত এটা বা একাধিক কাৰণ বা কমচেকম এখন পত্ৰ হ’লেও পোৱা যায়। কিন্তু গৌৰৱৰ ক্ষেত্ৰত তেনে একোৱেই পোৱা নগ’ল। তেওঁৰ পৰিয়ালে জনোৱা মতে, তেওঁৰ কোনো ধৰণৰ মানসিক অৱসাদ বা ঋণৰ বোজাও নাছিল যিয়ে তেওঁক আত্মহত্যা কৰিবলৈ বাধ্য কৰিব পাৰে।

-গৌৰৱৰ ডিঙিত এটা পাতল ক’লা ৰঙৰ যি দাগ দেখা গৈছিল। আৰক্ষীয়ে ইয়াক চিপ লোৱাৰ দাগ বুলি কৈছিল যদিও, তেওঁৰ পত্নীৰ মতে গৌৰৱে বাথৰুমত পৰি যোৱাৰ শব্দহে শুনা গৈছিল। কোনো ধৰণৰ জৰী বা চিপ লোৱাৰ সামগ্ৰী তেতিয়া তাত পোৱা নগৈছিল। বহুতে ভাবে যে এই দাগ কোনো অস্বাভাৱিক বা অতীন্দ্ৰিয় শক্তিৰ আক্ৰমণৰ ফল হ’ব পাৰে।

- ইতিমধ্যে আলোচনা কৰা হৈছে যে মৃত্যুৰ কিছুদিন আগৰ পৰা গৌৰৱে তেওঁৰ পত্নীক কৈছিল যে কোনোবা এটা ‘অদৃশ্য শক্তিয়ে’ তেওঁক নিজৰ ফালে টানি নিব বিচাৰিছে আৰু তেওঁ সেই শক্তিটোক নিয়ন্ত্ৰণ কৰিব পৰা নাই। তেওঁ ভয় খাইছিল যদিও হতাশ হোৱা নাছিল। তেওঁৰ কামৰ প্ৰতি তেওঁ যথেষ্ট উৎসাহিত আছিল।

১০ পৃষ্ঠাত

জন্ম শত বৰ্ষ উপলক্ষে

# কবি নৱকান্ত বৰুৱালৈ শ্ৰদ্ধাৰ্ঘ

■ বিতোপন গগৈ
শিমলুগুৰি, লখিমপুৰ

'হঠাৎ তোমাক আজি মনত পৰিল, তৰুণ চাৰ্বাক।
তুমি মোৰ আত্মাৰ আৰাম।
কিমান যুগৰে তুমি আধুনিক কবি-চিৰ আধুনিক।
ঈশ্বৰক ঢাকি থ'ই
সংহিতাৰ অনুস্বৰ বিসৰ্গৰ স্তুপৰ মাজত
তুমি বন্ধু আহিলা ওলাই
স্বাধীন মানুহ হৈ মুকলি বাটেৰে.... ।'

আচলতে কবি নৱকান্ত বৰুৱা নিজেই এগৰাকী আধুনিক মনস্বী। সৃষ্টিৰ আদিম কালৰ পৰাই স্বাভাৱিক অৱস্থিতিৰ বিপৰীতে কিবা এটা নতুনৰ সন্ধানী দৃষ্টিৰে সকলোৱে নিজকে চাব বিচাৰে নিশ্চয়। প্ৰাকৃতিক সৌন্দৰ্যশীলতাৰ ৰূপচ্ছবিত ৰং বিৰঙৰ নানা প্ৰলোভিত প্ৰত্যাশাৰ সপোন আঁকিব বিচাৰে। আত্মাক তৰুণ চিন্তাৰে ঈশ্বৰৰ কাষলৈ নি স্বাধীন বাটৰুৱা হ'ব বিচাৰে।

১৯২৬ চনৰ ২৯ ডিচেম্বৰত জন্ম লাভ কৰে এই যুগমীয়া কবিজনে পিতৃ নীলকান্ত বৰুৱা আৰু মাতৃ স্বৰ্ণলতা বৰুৱাৰ সন্তান অসমীয়া কবিতাৰ বাটকটীয়া 'এখুদ ককাইদেউ' নৱকান্ত বৰুৱাৰ হাইস্কুলীয়া শিক্ষা নগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সম্পন্ন হৈছিল (১৯৪১ চন)। শান্তি নিকেতনৰ পৰা আই, এ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা (১৯৪৭) চন। তেখেতে কটন কলেজৰ উপাধ্যক্ষ পদ অলংকৃত কৰিছিল। ১৯৯০ চনত অসম সাহিত্য সভাৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰা নৱকান্ত বৰুৱাদেৱে 'ককাদেউতাৰ হাড়' উপন্যাসৰ বাবে ১৯৭৫ চনতে সাহিত্য একাডেমী বঁটা লাভ কৰিছিল। ১৯৭৪ চনত প্ৰকাশন পৰিষদ বঁটা লাভ কৰা কবিৰ কাব্য সংকলন 'এটি দুটি এঘাৰটি তৰা' 'হে অৰণ্য হে মহানগৰ', 'মোৰ আৰু পৃথিৱীৰ,' 'মহাকাব্যৰ পাণ্ডুলিপি', 'দলঙত তামীঘৰা' ,'এখন স্বচ্ছ মুখাৰে' ইত্যাদি।

'অসম উপত্যকা সাহিত্য বঁটা', 'গংগাধৰ বঁটা', 'পদ্মভূষণ' আদিৰে বিভূষিত অন্যতম শ্ৰেষ্ঠ কবিগৰাকীয়ে উপন্যাস লিখিছিল 'কপিলীপৰীয়া সাধু', 'গৰিমা কুঁৱৰী' আৰু উল্লেখযোগ্য পুথি হ'ল- 'মৰুৱা ফুল, শিয়ালী পালেগৈ ৰতনপুৰ' আদি।

২০০২ চনৰ ১৪ জুলাইত মননশীল আধুনিক কবি নৱকান্ত বৰুৱাৰ মৃত্যু হৈছিল। আমাৰ দৰে সাধাৰণ পাঠককো তেখেতৰ বহু কবিতাই মোহাচ্ছন্ন কৰি ৰাখে। হৃদয়-মগজু আলোড়িত কৰি একাত্ম কৰি তোলে। জীৱনৰ কঠিন সময়তো প্ৰাণোচ্ছল হাঁহিৰে মায়াৰ বসন পিন্ধায়।

ঠিক তেনেদৰে, 'এখন স্বচ্ছ মুখাৰে'ৰ এৰাধৰা ভাঙনি'ত নৱকান্ত দেৱে লিখিছিল- "তোমালোকৰ চকু গজা নাছিল, মই শিকালো কেনেকৈ চাব লাগে আৰু এতিয়া তোমালোকে নিজকো নেদেখা, মোকো নেদেখা বেচ বঢ়িয়া কথা-
কাঁইটক খুঁচি থোৱা পিনত, মুৰ্খক দুৱাৰৰ
খিলিত আৰু ভণ্ডক মদৰ গিলাচত...

তুমি ক'লা মই বিশেষ একো কবি নহয় সেইটোৱেই মোৰ বাবে সৰ্বশ্ৰেষ্ঠ প্ৰশংসা...

জীৱনৰ জোপোহাত এনেকৈয়ে চলি থাকে উশাহ-নিশাহৰ ক্ৰিয়া- প্ৰতিক্ৰিয়া। ঈৰ্ষা খেয়াল খুচিত ক্ষত-বিক্ষত হৃদয়ৰ কান্দোন কোনে শুনিব? কোনে বুজিব দাৰিদ্ৰতাৰ পূৰণি কাতিমহীয়া বেলিৰ বিষাদ? ভাতৰ নিসনি পানী অথবা কঁচু ত্ৰইলাৰ বাবে শুকান জেওৰাখৰি বিচৰা কিম্বা ভয়ত্তি নৈশবোৰৰ কথা?

সাধাৰণ কিন্তু আধুনিক চিন্তা জ্ঞানৰ বিশাল পৰিধিত আমি জীয়াই থাকিব লাগিব। যি দৰে চিন্তন গভীৰতাৰে কবি নৱকান্ত বৰুৱা আমাৰ মাজত জীয়াই আছে। জন্ম শতবৰ্ষৰ অশেষ 'নিয়ৰৰে ফুল এপাহ ফুলিল।'

ম'বাইল ঃ ৯৩৬৫১-৬৮৮০৬

# কামৰূপ জিলাৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকক মুখ্যমন্ত্ৰীৰ উপহাৰ প্ৰদান



**ৰমেন ভৰালী, বৰশৰ ঃ** কামৰূপৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত যোৱা ২৫ জানুৱাৰীত কামৰূপ জিলাৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলক মুখ্যমন্ত্ৰীৰ নৱবৰ্ষৰ শুভেচ্ছামূলক উপহাৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলাখনৰ ৮১ গৰাকী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকক মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰ প্ৰদান কৰা হয়। উপহাৰ প্ৰদান অনুষ্ঠানত জিলা আয়ুক্ত গৰাকীৰ বক্তব্যত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে পৰিগণিত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলে কামৰূপ জিলা প্ৰশাসনক বিভিন্ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, উন্নয়নমূলক কাম-কাজ আগবঢ়াই নিয়াত কৰি অহা সহযোগিতাৰ বাবে ধন্যবাদ জনায়। অনুষ্ঠানত অমাৰ অসম কাকত আৰু এন কে টিভিৰ মুখ্য সম্পাদক মনোজ গোস্বামীয়ে সমল ব্যক্তি হিচাপে উপস্থিত থাকি সাংবাদিকসকলক উদ্দেশ্যে বহুমূলীয়া বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত কামৰূপৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়া, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে গৰ্গমোহন দাস, গীতাশ্ৰী লাচিত, বিক্ৰম ছেত্ৰী, প্ৰাণজিত কুমাৰ দেৱ, ৰঙিয়াৰ সম-জিলা আয়ুক্ত দেৱাশীষ গোস্বামী, নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপৰ লগতে জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

# এজন সপ্তম শ্ৰেণীৰ ছাত্ৰৰ মহানুভৱতা নিজৰ ১৩ সংখ্যক ওপজা দিনটো বৃদ্ধাশ্ৰমৰ ককা-আইতাৰ সৈতে পালন কৰে




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ ঘাঁহি উজনিকুৰি গাঁৱৰ নিকুমণি দাস আৰু মাইনী কলিতা দাসৰ পুত্ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ কিশোৰ কুমাৰ দাসৰ ওপজা দিনটো ৰাঙলু গ্ৰাম বিকাশ পৰিষদৰ বৃদ্ধাশ্ৰমৰ বাসিন্দাসকলৰ মাজত কেক্ কাটি পালন কৰে। ২০০১ চনত গ্ৰাম বিকাশ পৰিষদৰ মুখ্য সঞ্চালক ছিৰাজউদ্দিন আহমেদৰ মহান প্ৰচেষ্টত প্ৰতিষ্ঠা হোৱা বৃদ্ধাশ্ৰমত পৰিয়ালৰ লোকৰ সহযোগত এসাঁজ আহাৰ খোৱাই আত্মসন্তুষ্টি লাভ কৰে পৰিয়ালৰ লোকে। জানিব পৰা মতে ১৩ সংখ্যক ওপজা দিনটো পালন কৰাৰ ক্ষেত্ৰত কিশোৰ কুমাৰ দাসৰ প্ৰবল ইচ্ছাক সন্মান জনাই পিতৃ আৰু মাতৃয়ে ৰাঙলু গ্ৰাম বিকাশ পৰিষদৰ বৃদ্ধাশ্ৰমত ২৪ জানুৱাৰীত উপস্থিত হৈ মাছৰে সৈতে এসাঁজ আহাৰ যোগান ধৰে। ওপজা দিন পালন কৰিবলৈ আত্মীয় স্বজনৰ লগতে বিশিষ্ট অতিথি তিৱা স্বায়ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদ, গ্ৰাম বিকাশ পৰিষদৰ উপ-সভাপতি আবুল কালাম, সাংবাদিক ঘনকান্ত বৰাৰ লগতে সকলো কৰ্মচাৰীয়ে আশিস প্ৰদান কৰে। কিশোৰ কুমাৰ দাসৰ মাতৃ মাইনী কলিতা দাসে কয় যে নিজ গৃহত সম্ভ্ৰান্ত পৰিয়ালক নিমন্ত্ৰণ কৰি কেক্ কাটি পুত্ৰ-কন্যাৰ জন্মদিন পালন কৰাতকৈ সন্তানৰ অৱহেলা বা সন্তানহীন এইসকল পিতৃ-মাতৃক লৈ ওপজা দিন পালন কৰিলেহে ভগৱানৰ আশিস লাভ কৰিব। ওপজা দিনৰ সকলো সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়াই পৰিষদৰ কৰ্মচাৰী কুন্তী ৰংপি পী, সুৰভী পাটৰ, সীমা হাঞ্চেপীৰ আৰু কবিতা ডেকাই। এটা ব্যক্তিগত খণ্ডৰ কৰ্মচাৰী নিকুমণি দাস আৰু গাঁও পঞ্চায়তৰ সদস্য মাইনী কলিতা দাসৰ লগতে পুত্ৰ কিশোৰ কুমাৰ দাসৰ মহানুভৱতাৰ শলাগ লৈছে সকলোৱে। ৰাঙলু গ্ৰাম বিকাশ পৰিষদৰ ফালৰ পৰাও কিশোৰ কুমাৰ দাসৰ ওপজা দিনৰ শুভেচ্ছা আৰু আশিস প্ৰদান কৰিছে।

# শুৱালকুছি শ্ৰীশ্ৰী ঈশ্বৰ নসত্ৰ (হনুমান) নামঘৰত ১৫০তম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** আধ্যাত্মিক জ্ঞানে কৰে সংযমী। ধৰ্ম আৰু কৰ্মৰ মিলনভূমি বস্ত্ৰনগৰী শুৱালকুছি বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত। সেই গাঁৱৰে ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী ঈশ্বৰ নসত্ৰ শুৱালকুছি কিন্তু হনুমান নামঘৰ নামেৰে পৰিচিত। বিগত বৰ্ষৰ দৰে এইবেলি ১৫০তম প্ৰতিষ্ঠা দিৱস তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪, ৫, ৬ মাঘ ইং-১৮, ১৯, ২০ জানুৱাৰী ২০২৬ তাৰিখে অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি মহিলা সকলৰ দিহানাম প্ৰতিযোগিতা, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ-চিত্ৰাংকণ আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা ১৫০ খন ধৰ্মীয় পতাকা উত্তোলন কৰি অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। ইয়াৰ মূল পতাকা উত্তোলন কৰে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচনী সন্ত বাপে লগতে সন্ধিয়া গায়ন-বায়ন সহিতে ভাগৱত শোভাযাত্ৰা হয়। ৰাতিপুৱা উষা কীৰ্ত্তনৰ পৰা আৰম্ভ কৰি সন্ধিয়ালৈ হৰি কীৰ্তনেৰে মুখৰিত হৈ পৰে নামঘৰৰ প্ৰাংগণ। কাৰ্যসূচী অনুসৰি দ্বিতীয় দিনা সমিতিৰ সভাপতি মাধৱ চন্দ্ৰ কলিতা, সম্পাদক ডিম্বেশ্বৰ কলিতা, সাংস্কৃতিক সভাপতি তপন পাঠক শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতা, স্মৃতিগ্ৰন্থৰ সভাপতি শিক্ষক ৰাতুল চন্দ্ৰ কলিতা, স্মৃতিগ্ৰন্থৰ সম্পাদক দীপক ৰাজগুৰু, স্মৃতিগ্ৰন্থৰ সহ-সম্পাদিকা অনামিকা (সংগীতা) কলিতাই 'আনন্দ সাগৰ' নামৰ এখন স্মৃৰণিকা উন্মোচন কৰে আৰু সেইদিনাৰ অনুষ্ঠানতো চলাই নিয়ে শিক্ষক বিকাশ কলিতাই, তৃতীয় দিনা বৰ্ণিল ধৰ্মীয় শোভাযাত্ৰাই গাঁওখনত আধ্যাত্মিক পৰিবেশৰ সৃষ্টি কৰে। গাঁওখনৰ আৰু দূৰ-দূৰণিৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজক এসাজ নিৰামিষ আহাৰেৰে আপ্যায়ন কৰে। এমুঠি ভাল মানুহৰ কাৰণে এতিয়াও ভাৰতবৰ্ষ সুৰক্ষিত ঠিক তেনেকৈ এটা অনুষ্ঠান সফলতা লাভ কৰিবলৈ কিছুমান ব্যক্তিৰ বিশেষ অৱদান থাকে। তেওঁলোক বিশেষ দায়িত্বত থকা ব্যক্তিসকল ক্ৰমে-সুৰেণ কলিতা, জয়ন্ত কলিতা, নিৰোদ ডেকা, জিতেন্দ্ৰ কলিতা, নব কলিতা, নৱদ্বীপ কলিতা, মনোজ কলিতা, নীলমণি কলিতা, ৰাজীৱ মোহন কলিতা, মনোজ কলিতা, দশৰথ কলিতা, ফুলেশ্বৰ কলিতা, অমৰ জ্যোতি কলিতা, বলেন পাঠক, কিৰণ পাঠক, প্ৰবীণ চন্দ্ৰ কলিতা, পবিত কলিতা, মৃণাল কলিতা, কনক কলিতা, সদানন্দ কলিতা, মিহিৰ কলিতা, শৰৎ কলিতা, ধীৰেন্দ্ৰ নাথ কলিতা, ঋতুমণি দাস, কুসুম কলিতা, ৰীতা কলিতা, মালা কলিতা আদি অনেকৰ প্ৰচেষ্টাত অনুষ্ঠানৰ আটাইবিলাক কাৰ্যসূচী সাফল্যমণ্ডিত হয়। বৃহত্তৰ শুৱালকুছি ৰাইজে ভূয়সী প্ৰশংসা কৰে।


# বংশৰত ভাৰত চৰকাৰৰ হস্ততাত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়, বস্ত্ৰ মন্ত্ৰালয়ৰ শুৱালকুছি মেগা হস্ততাঁত ক্লাষ্টাৰৰ বিশেষ সজাগতা সভা সম্পন্ন




**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ তিনিআলিস্থ দুৰ্গা পূজা মণ্ডপত ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্যালয়ৰ সৌজন্যত আৰু অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ দ্বাৰা ৰূপায়িত 'শুৱালকুছি মেগা হস্ততাঁত ক্লাষ্টাৰ' (Sualkuchi Mega Handloom Cluster) আঁচনিৰ অধীনত যোৱা ২৪ জানুৱাৰীত এক বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত সঞ্চালনা কৰে হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ গৱেষণা বিষয়া নিপন গোস্বামীয়ে। সভাৰ আৰম্ভণিতে গৱেষণা বিষয়া গৰাকীয়ে শুৱালকুছি মেগা হস্ততাঁত ক্লাষ্টাৰৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বিতং তথ্য দাঙি ধৰে। লগতে তেখেতে উল্লেখ কৰে যে এই বৃহৎ প্ৰকল্পৰ জৰিয়তে স্থানীয় শিপিনীসকলৰ বাবে অত্যাধুনিক সা-সুবিধা, উন্নত মানৰ তাঁতৰ শাল (Looms), গুণগত কেঁচামালৰ যোগান আৰু উৎপাদিত বস্ত্ৰৰ বিপণনৰ এক সুদৃঢ় ব্যৱস্থা গঢ়ি তোলা হৈছে। সভাত হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ কামৰূপ জিলাৰ সহকাৰী সঞ্চালক কবীন চন্দ্ৰ নাথ আৰু ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনস্থ শিপিনী সেৱা কেন্দ্ৰৰ বিষয়া জয়ন্ত ঠাকুৰীয়া উপস্থিত থাকি শিপিনীসকলক সৰলীকৰণৰ ওপৰত ভাষণ দিয়ে। ভাষণ প্ৰসংগত তেওঁলোকে শিপিনীসকলক আধুনিক প্ৰযুক্তি আৰু চৰকাৰী আঁচনিৰ সঠিক প্ৰয়োগৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়। সজাগতা সভাখনত শুৱালকুছিৰ সফল হস্ততাঁত উদ্যোগী ব্যক্তি হীৰালাল কলিতা দেৱে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ বিষয়ে শিপিনীসকলক অৱগত কৰে। সজাগতা সভাত বংশৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য লোহিত বৈশ্য, বংশৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা বংশৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য ভূপেন কলিতা, সত্যজিৎ দাস, শৈলেন ডেকা, ডিজাইনাৰসকল আৰু অন্যান্য গণ্য-মান্য ব্যক্তিবৃন্দ উপস্থিত থাকে। সভাত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ বিশেষজ্ঞসকলে উপস্থিত শিপিনী সকলক তেওঁলোকে এই চৰকাৰী আঁচনিসমূহৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি শুৱালকুছিৰ ঐতিহ্যমণ্ডিত হস্ততাঁত শিল্পক বিশ্ব দৰবাৰত এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে শুৱালকুছিৰ এই মেগা হেণ্ডলুম ক্লাষ্টাৰ ৰাষ্ট্ৰীয় হস্ততাত উন্নয়ন কাৰ্যসূচীৰ অধীনত এক পৰিৱৰ্তনমূলক পদক্ষেপ। ২০২৩ চনৰ ১৬ ফেব্ৰুৱাৰীত অনুমোদিত এই প্ৰকল্পৰ মুঠ ব্যয় নিৰ্ধাৰণ কৰা হৈছে ৩,২৪১.২১ লাখ টকা। ইয়াৰ লক্ষ্য হৈছে ৬৮ খন গাঁও আৰু ৫খন গাঁও পঞ্চায়তৰ শিপিনীসকলক সৰলীকৰণ কৰা। প্ৰকল্পৰ বিনিয়োগ ৩,২৪১.২১ লাখ টকা, ভাৰত চৰকাৰৰ অংশ- ২,৯৪২.৬৯ লাখ টকা, ৰাজ্য আৰু হিতাধিকাৰীৰ অংশ ২৯৮.৫২ লাখ টকা। ক্লাষ্টাৰৰ পৰিসৰ আৰু লক্ষ্য হ'ল ৫ খন গাওঁ পঞ্চায়তৰ ৬৮ খন গাঁৱৰ ৪,২৬৬ গৰাকী শিপিনীক সৰলীকৰণত সামৰি লোৱা, সক্ষমতা বৃদ্ধি আৰু সামগ্ৰী উন্নয়ন কাৰ্যসূচী, উদ্ভাৱন আৰু ডিজাইন বিকাশৰ বাবে বস্ত্ৰ ডিজাইনৰৰ নিযুক্তি, সমন্বয় আৰু ৰূপায়নৰ বাবে ক্লাষ্টাৰ ডেভেলপমেন্ট এগজিকিউটিভৰ নিযুক্ত। শুৱালকুছি মেগা হেণ্ডলুম ক্লাষ্টাৰ মুখ্য উদ্দেশ্য হ'ল শিপিনীসকলক আনুষ্ঠানিক অৰ্থনৈতিক খণ্ডত সংগঠিত কৰা, আধুনিক প্ৰযুক্তি আৰু সজুঁলি যোগান ধৰা, বিশ্বমানৰ আন্তঃগাংথনি সুবিধা নিৰ্মাণ কৰা, শক্তিশালী বিপণন আৰু প্ৰতিষ্ঠানিক সহায়ৰ বাবে সংযোগ স্থাপন কৰা। শলাগৰ শৰাইৰে সভাৰ সামৰণি মৰা হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ গৱেষণা বিষয়া নিপন গোস্বামীয়ে।

# মুকালমুৱাৰ আদাবাৰীত অত্যাধুনিক মেকআপ ষ্টুডিঅ' মুকলি

## সাম্প্ৰতিক সময়ৰ সমাজত পুৰুষতকৈ কোনো গুণে কম নহয় আজিৰ মহিলা ঃ সাংবাদিক জয়ন্ত ডেকা



**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ পূব বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত যুৱতী-মহিলাসকলক স্বাৱলম্বী কৰি তোলাৰ প্ৰয়াসৰে আদাবাৰীত মুকলি কৰা হয় অত্যাধুনিক মেকআপ ষ্টুডিঅ' এটা। পূব বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত আদাবাৰী গাঁৱৰ উদ্যমী মহিলা পল্লৱী ঠাকুৰীয়াই অঞ্চলটোৰ যুৱতী-মহিলাসকলৰ বাবে মুকলি কৰে 'ইমন মেকআপ ষ্টুডিঅ'টো। আদাবাৰীস্থিত পূব বৰক্ষেত্ৰী আঞ্চলিক ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত মুকলি কৰা হয় মেকআপ ষ্টুডিঅ'টো । ষ্টুডিঅ'টো মাংগলিক কাৰ্যসূচীৰে মুকলি কৰে নৱপ্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী জ্যোতিপল দাসে। তাৰ পাছতেই ষ্টুডিঅ'টোৰ স্বত্বাধিকাৰী পল্লৱী ঠাকুৰীয়াই কেক কাটি কাৰ্যসূচী ৰূপায়ণ কৰে। অনুষ্ঠানটোত পূব বৰক্ষেত্ৰী আঞ্চলিক ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মোহন চন্দ্ৰ কলিতা, মেকআপ আৰ্টিষ্টি দ্বীপজ্যোতি কলিতা, যুৱ প্ৰজন্মৰ কণ্ঠশিল্পী সোণৰাজ, কণ্ঠশিল্পী নাজিয়া আহমেদে উপস্থিত থাকি গীত পৰিৱেশন কৰে। অনুষ্ঠানটোত অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক জয়ন্ত ডেকা, মডেলিং জিতু আহমেদ, সাংবাদিক শংকৰ দাসকে ধৰি অঞ্চলটোৰ ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সাংবাদিক জয়ন্ত ডেকাই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি কয় যে- সাম্প্ৰতিক সময়ৰ সমাজত পুৰুষতকৈ কোনো গুণে কম নহয় আজিৰ মহিলা, তাৰ জলন্ত উদাহৰণ পল্লৱী ঠাকুৰীয়া। পল্লৱী ঠাকুৰীয়া সমাজত আদৰ্শ নাৰী হিচাপে প্ৰতিষ্ঠা লাভ কৰিব বুলিও আশা প্ৰকাশ কৰে সাংবাদিক জয়ন্ত ডেকাই। ষ্টুডিঅ'টোত যুৱতী-মহিলাসকলে নিজকে সৌন্দৰ্য কৰি তোলাৰ সুবিধা লাভ কৰাৰ সমান্তৰালভাৱে সৌন্দৰ্যৰ প্ৰশিক্ষণো গ্ৰহণ কৰিব পাৰিব বুলি জানিবলৈ দিয়ে ষ্টুডিঅ'টোৰ স্বত্বাধিকাৰী তথা মেকআপ আৰ্টিষ্টি পল্লৱী ঠাকুৰীয়াই।

# নগাঁৱৰ কাছমাৰীত কাঁচিয়লি শিশুনাট সমাৰোহ

## বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰদীপ কুমাৰ বৰা (বৰবায়ন)ক 'কাঁচিয়লি বঁটা' প্ৰদান



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ কাছমাৰী মৌজাৰ অন্তৰ্গত বৰাগাঁৱৰ পথাৰত সোমবাৰে দিনযোৰাকৈ ব্যতিক্ৰমী চিন্তাৰে অনুষ্ঠিত কৰা হয় 'কাঁচিয়লি শিশুনাট সমাৰোহ'। তৃতীয়টো বৰ্ষৰ বাবে মুকলি পথাৰৰ চহা গ্ৰাম্য পৰিৱেশত অনুষ্ঠিত হোৱা এই নাট সমাৰোহত নৰাৰ মাজত বাঁহেৰে নিৰ্মিত সু-সজ্জিত এটি আটকধুনীয়া মঞ্চত কৃত্ৰিম পোহৰ আৰু শব্দযন্ত্ৰ অবিহনে প্ৰদৰ্শিত হয় পাঁচখনকৈ শিশুনাট। নাট প্ৰদৰ্শনৰ পূৰ্বে গণৰাজ্য দিৱস উপলক্ষে ৰাষ্ট্ৰীয় পতাকা উত্তোলন আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। সাংবাদিক, নাট সমালোচক জ্যোতিপ্ৰসাদ বৰাই আঁত ধৰা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত নাট্যশিল্পী দিলীপ লস্কৰে বন্তি প্ৰজ্বলন কৰাৰ লগতে পুষ্পাৰ্ঘ অৰ্পণ কৰে নাট্যকাৰ, পৰিচালক দীপক বৰাই। দিনৰ ১১ বজাৰ পৰা আৰম্ভ হোৱা এই শিশুনাট সমাৰোহখনি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে জনপ্ৰিয় নৃত্যশিল্পী গৌৰৱ কুমাৰ হাজৰিকাই। এই শিশুনাট সমাৰোহতে বৰজহাৰ কমলাবাৰী শাখা সত্ৰৰ বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰদীপ কুমাৰ বৰা (বৰবায়ন)ক ২০২৬ বৰ্ষৰ 'কাঁচিয়লি বঁটা' প্ৰদান কৰা হয়। সত্ৰ সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিগত চাৰি দশক ধৰি শিল্পী গৰাকীয়ে আগবঢ়াই অহা অনবদ্য বৰঙণিৰ বাবেই তেওঁক এই বঁটাৰে সন্মানিত কৰা হয়। ইফালে, এই শিশুনাট সমাৰোহত প্ৰথমেই পৰিৱেশন কৰা হয় 'সন্ধিৰ বাঁহ বুদ্ধিৰে কাটো আহ' নামৰ নাটখনি। কাঁচিয়লি নামৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানটিৰ দ্বাৰা নিবেদিত এই নাটখনৰ নাট্যকাৰ-পৰিচালক হৈছে দীপু বৰা । ইয়াৰ পিছতে মঞ্চস্থ হয় খালৈগাঁৱৰ লাচিত বৰফুকন মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ নিবেদিত 'শেষ নোহোৱা সাধু' নামৰ নাটখন। এই নাটখনৰ নাট্যৰূপ আৰু পৰিচালনা নিৰ্মালি শইকীয়াৰ। এই নাটখনৰ পিছতেই মৰিগাঁৱৰ মুখা সাংস্কৃতিক কেন্দ্ৰই নিবেদন কৰে 'সপোন' নামৰ নাটখন। এই নাটখনৰ নাট্যকাৰ আৰু পৰিচালক আছিল মুকুন্দ নাথ। ইয়াৰ পিছতে ভৱজিৎ কুমাৰ শইকীয়াৰ ৰচনা আৰু পৰিচালনাৰে অসম নাট্য সন্মিলন কাঁচিয়লি শাখাই 'মুং ডুন চুণ খাম' আৰু পুৰণিগুদামৰ নৱসৃষ্টি নাট্য গোষ্ঠীয়ে সীমান্ত কলিতাৰ ৰচনা আৰু পৰিচালনাৰে 'বিলাতলৈ যাব বুবু আৰু দিপালী' নামৰ নাটকেইখন পৰিৱেশন কৰে। দুই শতাধিক নাট্যপ্ৰেমী উপস্থিত থকা এই অনুষ্ঠানটিৰ পৰিশেষত সকলোৱে সন্মিলিতভাৱে পথাৰৰ মাজতে কলগছৰ বখুৰাত মাটিমাহৰ দাইল আৰু খাৰেৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি এক সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰে।

# গণ্যৰাজ্য দিৱসত বটদ্ৰৱা আৰক্ষীৰ ব্যতিক্ৰমী পদক্ষেপ

## জ্যেষ্ঠ নাগৰিকক ঘৰে ঘৰে গৈ জনালে সম্বৰ্ধনা



**জয়ন্ত মুদৈ, নগাঁও ঃ** সমগ্ৰ ৰাজ্যতে সোমবাৰে বেছ ওলহ-মালহেৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। ইয়াৰ সমান্তৰালকৈ নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষী থানাৰ উদ্যোগতো ব্যতিক্ৰমী ৰূপত পালন কৰা হয় গণ্যৰাজ্য দিৱস। সেই অনুসৰি পুৱা তিৰংগা পতাকা উত্তোলন কৰে বটদ্ৰৱা থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সভাপতি ভাস্কৰ জ্যোতি বৰাই। বটদ্ৰৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৌৰৱজ্যোতি মহন্তই আঁত ধৰা এই অনুষ্ঠানটিত উপস্থিত থাকি বটদ্ৰৱা গাঁওৰক্ষী বাহিনীৰ থানা সমিতিৰ সভাপতি ইন্দ্ৰমোহন বৰুৱাই প্ৰদান কৰা সাৰমৰ্মী ভাষণত গণৰাজ্য দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে। এই পতাকা উত্তোলন কাৰ্যসূচীত থানাৰ নিকটতম বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰি তোলে। ইয়াৰ পিছতে বৃহত্তৰ বটদ্ৰৱা অঞ্চলৰ সত্তৰ উৰ্দ্ধৰ মুঠ ২৬ গৰাকী জ্যেষ্ঠ নাগৰিকক বটদ্ৰৱা আৰক্ষীৰ দলে ঘৰে ঘৰে গৈ গামোছাৰে সম্বৰ্ধনা জনোৱাৰ লগতে ফলমূল প্ৰদান কৰা হয়। এনেদৰে গণৰাজ্য দিৱসৰ দৰে পৱিত্ৰ দিনত জ্যেষ্ঠ নাগৰিকসকলৰ কাষত বটদ্ৰৱা আৰক্ষী থানাৰ আৰক্ষীৰ দল উপস্থিত হোৱাত এইসকল জ্যেষ্ঠ নাগৰিক আৱেগিক হৈ পৰাৰ লগতে আৰক্ষীৰ লোকসকলক আশীৰ্বাদ প্ৰদান কৰে। কাজেই, সৰ্বসাধাৰণ লোকৰ মাজত আৰক্ষীৰ সম্পৰ্ক নিবিড় কৰি তোলাৰ ক্ষেত্ৰত এইদৰে বটদ্ৰৱা আৰক্ষীয়ে লোৱা প্ৰশংসনীয় পদক্ষেপৰ শলাগ লৈছে সচেতন মহলে।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

অসম চৰকাৰ
বিদ্যালয় শিক্ষা বিভাগ

# প্ৰেৰণা

## দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক জলপানি প্ৰদান





### কোনে আবেদন কৰিব পাৰিব

- অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী
- আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত চি বি এছ ইৰ দশম শ্ৰেণী শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী
- আৰ্থিক অৱস্থা নিৰ্বিশেষে অসমত স্থায়ীভাৱে বসবাস কৰা শিক্ষাৰ্থী

২০২৫ চনৰ নৱেম্বৰ মাহৰ পৰা
**চাৰিমাহৰ বাবে মাহিলি ৩০০ টকাকৈ**
জলপানিৰ ব্যৱস্থা

### উদ্দেশ্য

- শিক্ষাৰ্থীসকলক অধ্যয়ন সামগ্ৰী, কিতাপ, পুষ্টিকৰ খাদ্য আদি ক্ৰয় কৰাৰ দিশত সহায়তা
- শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস, মানসিক স্বাস্থ্য আৰু মনোবল বৃদ্ধি
- দৰিদ্ৰ পৰিয়াল আৰু গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীৰ মাজত বিদ্যালয় ত্যাগৰ প্ৰৱণতা হ্ৰাস
- হাইস্কুল শিক্ষান্ত পৰীক্ষা/ দশম শ্ৰেণী শিক্ষান্ত পৰীক্ষাত সামগ্ৰিকভাৱে উত্তীৰ্ণৰ হাৰ বৃদ্ধি
- চৰকাৰী/ প্ৰাদেশীকৃত আৰু আদৰ্শ বিদ্যালয়সমূহত নামভৰ্তি বৃদ্ধি

উপকৃত শিক্ষাৰ্থী
**৪.৪ লাখ+**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৰাটছএপ কৰক

Janasanyog RO no 4199/25/30-January-26

# কামৰূপ জিলা প্ৰশাসনৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

## চাংসাৰি উচ্চতৰ মাধ্যমিক খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিলে পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে




**ৰমেন ভৰালী, বংশৰ ঃ** দেশৰ অন্যান্য স্থানৰ লগতে কামৰূপ জিলাতো যোৱা ২৬ জানুৱাৰীত ভাৰতৰ ৭৭ সংখ্যক গণৰাজ্য দিৱসটি ব্যাপক উৎসাহ-উদ্দীপনাৰে উদ্‌যাপন কৰা হয়। কামৰূপ জিলাৰ চাংসাৰি উচ্চতৰ মাধ্যমিক খেলপথাৰ, চাংসাৰিত বৰ্ণাঢ্য কাৰ্যসূচীৰে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত মন্ত্ৰী গৰাকীয়ে জাতিৰ পিতা মহাত্মা গান্ধীৰ লগতে স্বাধীনতা সংগ্ৰামৰ বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ মুখ্য অতিথিৰ ভাষণত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত দেশখন বিকাশৰ এটা বিশেষ স্তৰলৈ গতি কৰিছে বুলি উল্লেখ কৰে। কামৰূপ জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত কেন্দ্ৰীয় গণৰাজ্য দিৱসৰ এই অনুষ্ঠানত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়াৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজন কৰা মূল কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা আনুষ্ঠানিকভাৱে উত্তোলন কৰি মন্ত্ৰী গৰাকীয়ে আৰক্ষী, অৰ্ধসামৰিক বাহিনী, এন চি চি আদিৰ তৰফৰ পৰা প্ৰদৰ্শন কৰা আকৰ্ষণীয় কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। পতাকা উত্তোলন কৰাৰ আগমুহূৰ্তত তেওঁ জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। মন্ত্ৰী পাটোৱাৰীয়ে তেওঁৰ ভাষণত বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যখনৰ দ্ৰুত বিকাশৰ দিশত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিস্তৃত আলোকপাত কৰে। ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সমূহে জনসাধাৰণৰ বিকাশৰ দিশত বিশেষভাৱে অৰিহণা যোগাইছে বুলিও তেওঁ কয়। গণৰাজ্য দিৱসৰ এই কাৰ্যসূচীত অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি, তথা দেশ মাতৃৰ বন্দনাৰে সমৃদ্ধ এক বৰ্ণিল সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ উপৰি মন্দে মাতৰম্ গীতটিৰ ১৫০ বছৰ উদ্‌যাপনৰ দ্বিতীয় পৰ্যায়ৰ লগত সংগতি ৰাখি গীতটি সমূহীয়াভাৱে পৰিৱেশন কৰা হয় আৰু কামৰূপ জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ৰ দ্বাৰা পথ সুৰক্ষা সন্দৰ্ভত এক মুকাভিনয় প্ৰদৰ্শন কৰা হয়। ইয়াৰ উপৰিও পৰিবহণ, জনস্বাস্থ্য কাৰিকৰী, সমাজ কল্যাণ, কৃষি, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আদি বিভাগৰ দ্বাৰা জনকল্যাণমূলক আঁচনি সবিশেষৰ প্ৰদৰ্শন কৰা প্ৰদৰ্শনীসমূহো মন্ত্ৰী গৰাকীয়ে পৰিদৰ্শন কৰে। অনুষ্ঠানত গণৰাজ্য দিৱস উপলক্ষে আয়োজিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত ৰচনা আৰু কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলৰ লগতে। ২০২৫ চনৰ All Assam Invitational Taekwondo Championship আৰু ২০২৪ চনৰ All India Taekwondo Championshipত সোণৰ পদক অৰ্জন কৰা পি এম শ্ৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়, ফুলগুৰি—ৰাণীৰ সৌৰভ জ্যোতি ডেকা, উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয় (DoNER)ৰ উদ্যোগত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO), বেংগালৰু পৰিদৰ্শনৰ বাবে নিৰ্বাচিত হোৱা আৰু ২০২৪ চনত ৱাদনগৰ, গুজৰাটত অনুষ্ঠিত প্ৰেৰণা উৎসৱত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা গণেশ দাস উচ্চ বিদ্যালয়, শুৱালকুছিৰ ছাত্ৰী ধৃতিশ্মিতা কলিতা সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানতে মুক্তি যুঁজাৰু সংগঠনৰ সদস্য, ক্ষীপ্ৰ আৰু সাহসীকতাৰে ২৩৬ নং আভ্যন্তৰীণ জল পৰিবহণৰ অপাৰেশ্যন ইউনিটৰ অভিযন্তা সৈনিক নাইব চুবেদাৰ আলি মহম্মদ, হাবিলদাৰ সুভাষ চন্দ্ৰ, হাবিলদাৰ মগন সিং আৰু নায়ক ৰাজেন্দ্ৰৰ সিংহৰ লগতে মুখ্য ন্যায়া সখী চিত্ৰা লেখা চৌধুৰী, অগ্ৰগামী মীন পালক চয়নিকা ডেকা বৰ্মন আৰু মনোজ ডেকা, ডিজি পে সখী হিচাপে নিৰন্তৰ সেৱা প্ৰদান কৰি অহা হেমলতা নাথ দাস, পেৰেড কামাণ্ডাৰ পৰিক্ষীত গগৈ আৰু উপ-পেৰেড কামাণ্ডাৰ জহি কংকণ পাটগিৰিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ শেষত কুচকাৱাজত পেছাদাৰী আৰু অপেছাদাৰী শাখাত অংশগ্ৰহণকাৰী শ্ৰেষ্ঠ দলসমূহক আৰু প্ৰদৰ্শনীত শ্ৰেষ্ঠ প্ৰদৰ্শনৰ বাবে তিনিটা বিভাগক পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে পুৱা কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ত গণৰাজ্য দিৱস উপলক্ষে সমূহ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। উক্ত অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত উপস্থিত থাকে। উল্লেখযোগ্য যে ৭৭ সংখ্যক গণৰাজ্য দিৱস বৰ্ণাঢ্য কাৰ্যসূচী পুৱা জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয় আৰু উত্তৰ গুৱাহাটী পৌৰ সভাৰ তৰফৰ পৰা উলিওৱা প্ৰভাত ফেৰীৰে শুভাৰম্ভ কৰা হয়।

# মুকালমুৱাৰ পংকজ কলিতাৰ জীৱনলৈ নামি আহিছে অমানিশা


## চিকিৎসাৰ বাবে আৰ্থিক সহায় বিচাৰি ৰাইজলৈ কাতৰ আহ্বান



**শংকৰ দাস, মুকালমুৱা ঃ** মুকালমুৱা থানাৰ অন্তৰ্গত আদাবাৰী সুতাৰকুছি গাঁৱৰ এটা পৰিয়াললৈ নাম আহিছে অমানিশা। পৰিয়ালটোৰ অন্যতম তথা একমাত্ৰ উপাৰ্জনকাৰীজন বিগত ছয়মাহে বিচনাতেই পৰি থকাত পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত আদাবাৰী সুতাৰকুছি গাঁৱৰ পংকজ কলিতাৰ পৰিয়ালে দুৰ্বিহ জীৱন অতিবাহিত কৰিছে।
পৰিয়ালটোৰ মূল মানুহজনে বিগত ছয়মাহ ধৰি ৰোগাক্ৰান্ত হৈ বিচনাতেই পৰি থকাত পৰিয়ালটোলৈ নামি আহিছে ঘোৰ অমানিশা। পংকজ কলিতা নামৰ যুৱকজনৰ ছয়মাহ পূৰ্বে সোঁ-ভৰিত দেখা দিছিল এটুকুৰা ঘাঁ। পৰৱৰ্তী সময়ত সেই ঘাঁ টুকুৰাই জটিল ৰূপ ধাৰণ কৰাত অস্ত্ৰোপচাৰ কৰিবলগীয়া হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়কে ধৰি গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত তিনিমাহত তিনিবাৰকৈ অস্ত্ৰোপচাৰ সম্পন্ন কৰে যদিও আজি পৰ্যন্ত সুস্থ হৈ নুঠিল যুৱকজন। বিভিন্ন চিকিৎসালয়ত চিকিৎসা কৰাৰ অন্তত সম্প্ৰতি দিশহাৰা হৈ পৰিছে পৰিয়ালটো। অতি সম্প্ৰতি যুৱকজনক উন্নত চিকিৎসাৰ বাবে অভিজ্ঞসকলে বহিঃৰাজ্যলৈ নিয়াৰ পৰামৰ্শ প্ৰদান কৰিছে যদিও অৰ্থৰ অভাৱত যুৱকজনক বহিঃৰাজ্যলৈ নিয়াৰ বাবে সমৰ্থ নহয় পৰিয়ালটো। সেয়ে দুৰ্ভগীয়া পৰিয়ালটোৱে ৰাইজৰ পৰা বিচাৰিছে আৰ্থিক সহায়-সহযোগিতা। পৰিয়ালটোৱে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বৰক্ষেত্ৰীৰ সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন আৰু বৰক্ষেত্ৰীৰ জননেতা নাৰায়ন ডেকাৰো সহায় বিচাৰিছে। কোনো সদাশয় ব্যক্তিয়ে পংকজ কলিতাক সহায় কৰিব বিচাৰিলে পংকজ কলিতাৰ পাঞ্জাৱ নেচনেল বেংকৰ 1907000101312504 (IFSC - PUNB0190700) নম্বৰত ধন জমা দি সহায় কৰিব পাৰে অন্যথা পংকজ কলিতাৰ ৯১০১৮-৫৬৫৯৮ নম্বৰতো যোগাযোগ কৰি সহায় আগবঢ়াব পাৰে। হয়তো আপোনাৰ অকনমান সঁহাৰিয়ে দুই কণমানি সন্তানৰ পিতৃগৰাকীক সুস্থ কৰি তুলিব।

# ঘন কুঁৱলীৰ ধূসৰতা আৰু পথ সুৰক্ষাৰ সংকট

■ **কুণ্ডিল হাজৰিকা,** যোৰহাট, টীয়ক




**শীতৰ** নিস্তব্ধতাৰ সুযোগ লৈ প্ৰকৃতিৰ বুকুত বিয়পি পৰা ঘন কুঁৱলীৰ শুভ্ৰ চাদৰখনে যিদৰে এক মায়াবী পৰিৱেশৰ সৃষ্টি কৰে, ঠিক সেইদৰেই ই যাতায়তৰ ক্ষেত্ৰত এক অলংঘ্য প্ৰত্যাহ্বান হৈ থিয় দিয়ে। কুঁৱলীৰ এই ঘোলাটে আৱৰণে বায়ুমণ্ডলক এনেদৰে আচ্ছন্ন কৰি পেলায় যে পথৰ দৃশ্যমানতা প্ৰায় শূন্যৰ কাষ চাপে, যাৰ ফলত চালকসকলে সমুখত থকা বিপদৰ সংকেতসমূহ সঠিক সময়ত উপলব্ধি কৰাত ব্যৰ্থ হয়। এই দৃশ্যমানতাৰ অভাৱেই হৈছে পথ দুৰ্ঘটনাৰ প্ৰাথমিক আৰু প্ৰধান কাৰক। ঘাইপথসমূহত তীব্ৰবেগী যান-বাহনবোৰে যেতিয়া কুঁৱলীৰ কৱলত পৰে, তেতিয়া এক নিমিষতে বহুতো জীৱনৰ চাকি নিমিষতে নুমাই যোৱাৰ উপক্ৰম হয়। অস্পষ্টতাৰ মাজত বাহনৰ মাজৰ নিৰাপদ দূৰত্বৰ জোখ হেৰুৱাই পেলোৱাৰ বাবে প্ৰায়েই এলানি বাহন ইখনৰ পাছত সিখনকৈ খুন্দা খোৱা বা 'চেইন এক্সিডেন্ট'ৰ দৰে মৰ্মান্তিক ঘটনা সংঘটিত হোৱা দেখা যায়।

পথ দুৰ্ঘটনাৰ এই ভয়াৱহতাৰ আঁৰত কেৱল প্ৰকৃতিৰ হাত থাকে বুলিলে ভুল হ'ব, ইয়াত মানৱীয় বিসংগতি আৰু অসতৰ্কতাৰ ভূমিকাও অনস্বীকাৰ্য। বহু সময়ত চালকসকলে নিজৰ বাহনৰ যান্ত্ৰিক সক্ষমতাৰ ওপৰত অতিমাত্ৰা বিশ্বাস কৰি এনে প্ৰতিকূল বতৰতো তীব্ৰ গতিৰে বাহন চলোৱাৰ দুসাহস কৰে। কুঁৱলীৰ সময়ত পথবোৰ সেমেকা আৰু পিছল হৈ থকাৰ ফলত জৰুৰীকালীন অৱস্থাত ব্ৰেক প্ৰয়োগ কৰিলে বাহনখন পিছলি যোৱাৰ সম্ভাৱনা অধিক থাকে। তদুপৰি, উপযুক্ত ফগ-লাইটৰ অভাৱ বা জৰুৰীকালীন সংকেত ব্যৱহাৰত কৰা অৱহেলাই মৃত্যুক অধিক ওচৰ চপাই আনে। ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অনিয়ন্ত্ৰিতভাৱে ৰৈ থকা বাহনবোৰো কুঁৱলীৰ সময়ত একো একোটা মৰণফান্দত পৰিণত হয়।

প্ৰকৃতিৰ এই ধূসৰতাক জয় কৰিবলৈ হ'লে আমাক পৰিপক্ক চিন্তা আৰু উচ্চ পৰ্যায়ৰ সতৰ্কতাৰ প্ৰয়োজন। কেৱল কাৰিকৰী সঁজুলি বা চৰকাৰী নীতি-নিয়মেৰে এই দুৰ্ঘটনা ৰোধ কৰা সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন প্ৰতিজন চালকৰ ব্যক্তিগত দায়বদ্ধতা। কুঁৱলীৰ ঘন আৱৰণৰ মাজত যাত্ৰা কৰোঁতে ধৈৰ্য্য আৰু সংযম হেৰুৱাই পেলোৱা মানেই হ'ল বিপদক আমন্ত্ৰণ জনোৱা। গতি নিয়ন্ত্ৰণ কৰা, হাই-বীমৰ পৰিৱৰ্তে লো-বীম লাইট ব্যৱহাৰ কৰা আৰু সমুখৰ বাহনৰ পৰা পৰ্যাপ্ত ব্যৱধান ৰখাটো একো একোটা অনিবাৰ্য কৰ্তব্য। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, কুঁৱলীৰ অস্পষ্টতাই আমাৰ দৃষ্টিশক্তি সীমিত কৰিব পাৰে, কিন্তু আমাৰ বিবেক আৰু সচেতনতাক যেন আচ্ছন্ন কৰিব নোৱাৰে। পথ সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা সামান্যতম সাৱধানতাই একোটা পৰিয়ালক চৰম শোকৰ পৰা ৰক্ষা কৰিব পাৰে আৰু এইয়াই হওক আমাৰ প্ৰতিজন সচেতন নাগৰিকৰ সংকল্প।

**ম'বাইল ঃ** ৭০৯৯৩-৫৪৪৭৪

# পুৰণিগুদামৰ চলচলিত হিন্দু সন্মিলন




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** ১৯২৫ চনত স্থাপিত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই ১০০ বছৰত ভৰি দিলে।বিশ্বৰ সৰ্ববৃহৎ সামাজিক সংগঠন হিচাপে পৰিগণিত হোৱা এই সংঘৰ জৰিয়তে যোৱা ২৪ জানুৱাৰীত পুৰণিগুদাম চলচলি মণ্ডলত অনুষ্ঠিত হয় এখন বিশাল হিন্দু সন্মিলন। চলচলি চন্দ্ৰজ্যোতি সংঘৰ প্ৰেক্ষাগৃহৰ দেৱেশ্বৰ শৰ্মা ক্ষেত্ৰত অনুষ্ঠিত হোৱা এই সন্মিলনখনত বৃহত্তৰ চলচলি অঞ্চলৰ তিনি শতাধিক লোক উপস্থিত থাকে। সংগঠন আৰু সেৱাৰ এশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা হিন্দু সন্মিলনে হিন্দু লোকসকলক একত্ৰিত কৰাত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই হিন্দু সন্মিলনত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, সংঘৰ প্ৰান্তীয় কাৰ্যকৰ্তা পাশ্বজ্যোতি সন্দিকৈ, সংঘৰ মহকুমা প্ৰচাৰক নৰ দিহিঙীয়া,বঢ়মপুৰ খণ্ড কাৰ্য্যবাহী দ্বিপেন শইকীয়া উপস্থিত থকাৰ উপৰিও কেশৱ শইকীয়া, প্ৰাণজিৎ কটকীকে কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে। দিনজোৰা সন্মিলনৰ বিভিন্ন কাৰ্যসূচীৰ মাজে মাজে সমৱেত সংগীত, দিহা নাম, বৰগীত আদি অনুষ্ঠিত হয়।

# নগাঁৱত ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন

**উৰিয়া গাঁও ঃ** নগাঁও চহৰৰ হয়বৰগাঁও লাওখোৱা পথস্থিত বিষ্ণুজ্যোতি উপপথত ‘এ কে ক্ৰিকেট ক’চিং চেণ্টাৰ’ নামৰ এটা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰ যোৱা ২৩ জানুৱাৰীত সন্ধ্যা আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। নৱাগত ক্ৰিকেট খেলুৱৈ আৰু ক্ৰিকেট অনুৰাগীকে ধৰি অৰ্দ্ধ শতাধিক লোকৰ উপস্থিতিত ফিটা কাটি কেন্দ্ৰটি শুভ উদ্বোধন কৰে ৰঞ্জি ট্ৰফীৰ প্ৰাক্তন খেলুৱৈ বিচিত্ৰ বৰুৱাই। উল্লেখ্য যে এইখনেই হ’ব নগাঁৱৰ প্ৰথম দিবা-নৈশ প্ৰশিক্ষণ কেন্দ্ৰ। ক্ৰিকেটাৰ, প্ৰশিক্ষক অৰ্পণ কুমাৰ কাশ্যপে তেওঁৰ নিজ গৃহতে স্থাপন কৰা এই প্ৰশিক্ষণ কেন্দ্ৰটিত ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে ৮৪০২০-৯৬৫০৯ ফোন নম্বৰত যোগাযোগ কৰি প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰিব বুলি জানিবলৈ দিছে। পৰৱৰ্তী সময়ত প্ৰশিক্ষণ কেন্দ্ৰটোত বলিং মেচিনৰ সহায়ত প্ৰশিক্ষণ প্ৰদান কৰা হ’ব বুলি জানিব পৰা গৈছে।

# শিৱসাগৰ জাপিসজীয়াৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত মটৰচাইকেল চোৰৰ বাহনলৈ লক্ষ্য কৰি গুলীচালনা

## আৰক্ষীৰ তৎপৰতাত আটক দুই দুৰ্ধৰ্ষ মটৰচাইকেল চোৰ



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** গণৰাজ্য দিৱসৰ আগদিনা অৰ্থাৎ যোৱা ২৫ জানুৱাৰী তাৰিখে দুপৰীয়া প্ৰায় ১২ বাজি ৫ মিনিটত শিৱসাগৰ জিলাৰ ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত ৰাজমাই দেওবৰীয়া বজাৰৰ পৰা নিতাইপুখুৰীৰ বিমান ৰায় নামৰ এজন ব্যক্তিৰ এখন পালচাৰ মটৰ চাইকেল (Regn. No. AS-04-Z-7454) চুৰি কৰাৰ সন্দৰ্ভত শিৱসাগৰ আৰক্ষীয়ে তথ্য লাভ কৰে। উল্লেখ্য যে, জিলা আৰক্ষী বিভাগৰ পৰা পোৱা তথ্য অনুসৰি মটৰচাইকেলখনৰ গৰাকী আৰু স্থানীয় লোকে চোৰকেইটাৰ পিছে পিছে শিৱসাগৰৰ অভিমুখে খেদি খেদি যোৱাৰ সময়ত জাপিসজীয়াৰ ওচৰত চুৰি হোৱা মটৰ চাইকেলখনৰ পিলিয়ন আৰোহীয়ে চিলভাৰ কালাৰ মাৰুতি ছুইফট ডিজায়াৰ (Regn. No. AS-06-P-0762)ক লক্ষ্য কৰি গুলীচালনা কৰে। এই ঘটনাৰ ফলত গাড়ীখনৰ কাঁচৰ ক্ষতিসাধন হয়, অৱশ্যে চালকজন কোনোধৰণৰ আঘাতপ্ৰাপ্ত হোৱা নাই। উক্ত ঘটনাকলৈ জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আৰক্ষী বিভাগৰ শীৰ্ষ বিষয়াসকলে ঘটনাস্থলী পৰিদৰ্শন কৰাৰ ফলত গাড়ীখনৰ ভিতৰৰ পৰা গুলীৰ খালী খোকা উদ্ধাৰ হয়। আনহাতে গুলীচালনাৰ ঘটনাৰ লগে লগেই আৰক্ষীয়ে সকলো নাকা পক্ষক সতৰ্ক কৰি দিয়ে। ক্ষিপ্ৰতাৰে কাম কৰি শিৱসাগৰ আৰক্ষীয়ে ২৫ জানুৱাৰীৰ দিনা প্ৰায় ৩ বজাত টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত চুৰি হোৱা মটৰ চাইকেলখনৰ সৈতে মটৰচাইকেল চোৰ কেইটাক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আনহাতে ২৬ জানুৱাৰীৰ নিশা প্ৰায় ১ বজাত ধৃত অভিযুক্ত হৰেকৃষ্ণ দলে এ নিজৰ জড়িততা স্বীকাৰ কৰে। তাৰ পাছতেই আৰক্ষীৰ দলটোৰ নেতৃত্বত টীয়ক পুলিচ ষ্টেচনৰ অন্তৰ্গত অঞ্চলত গুলীচালনাৰ কাণ্ডত ব্যৱহৃত এটা পিষ্টলৰ লগতে এটা সজীৱ ৭.৬৫ এম এম গোলাবাৰুদ উদ্ধাৰ কৰা হয়। আনফালে দুয়ো অভিযুক্ত অৰ্থাৎ হৰে কৃষ্ণ দলে আৰু বিমান বৰাক ডিমৌ পি এছ গোচৰ নং 14/2026 ইউ/এছ 309(4)/109/311/61(2)/3(5) বিএনএছ, ২০২৩ আৰ/ডব্লিউ ধাৰা ২৫ (আই-এ)/27(2) অস্ত্ৰ আইন ১৯৫৯ ৰ ভিত্তিত গ্ৰেপ্তাৰ কৰি অধিক তদন্ত অব্যাহত ৰাখিছে বুলি শিৱসাগৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশীষ বৰুৱাই জানিবলৈ দিছে। শিৱসাগৰ আৰক্ষীৰ এনে পদক্ষেপক সচেতন মহলে আদৰণি জনাইছে।

# ভাৰতৰ অগ্নিকন্যাখ্যাত ভগিনী নিবেদিতাই পৰাধীন ভাৰতৰ কোটি কোটি জনসাধাৰণৰ কল্যাণৰ বাবে মৃত্যুৰ দিনলৈকে বিৰামহীনভাৱে কাম কৰি গৈছিল ঃ মৃণালিনী দেৱী

**ৰমেন ভৰালী, বংশৰ ঃ** জালুকবাৰী নাগৰিক কমিটিৰ উদ্যোগত যোৱা ২৬ জানুৱাৰীত জালুকবাৰী উৰণীয়া সেঁতুৰ সমীপত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ভাৰতবৰ্ষৰ ৭৭ সংখ্যক গণতন্ত্ৰ দিৱসৰ পতাকা উত্তোলন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা সু-সাহিত্যিক মাননীয়া মৃনালিনী দেৱীৰ শাৰীৰিক অসুস্থতাৰ বাবে উপস্থিত হব নোৱাৰাত তেওঁৰ হৈ বিশিষ্টতা সমাজ সেৱিকা মাননীয়া মালবিকা বৰুৱাই উত্তোলন কৰে। পতাকা উত্তোলনৰ ভাষণত সু-সাহিত্যিক মৃনালিনী দেৱীয়ে লিখিত ভাষণ পাঠ কৰে। ভাৰতৰ অগ্নিকন্যা ভগিনী নিবেদিতা বিষয়ে ভাষণ প্ৰসংগত কয় যে ১৯৪৭ চনৰ ১৫ আগষ্ট ভাৰতৰ বাবে এটা অতি আনন্দৰ দিন। এই দিনটোতেই ভাৰতে লাভ কৰিছিল স্বাধীনতা। সিদিনা উদিত সূৰ্যটোৱে যেন স্বাধীনতাপ্ৰেমীসকললৈ ছটিয়াই দিছিল আনন্দৰ কিৰণ। কিন্তু এই স্বাধীনতা এনেয়ে অহা নাছিল। ইয়াৰ বাবে ভাৰতৰ জনগণে অশেষ কষ্ট তথা ত্যাগ স্বীকাৰ কৰিব লগীয়া হৈছিল। স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিছিল মুনিহ, তিৰোতা, শিশুকে ধৰি লক্ষাধিক ভাৰতীয়ই। ভাৰতৰ স্বাধীনতা সংগ্ৰামক মাথোন যে ভাৰতীয় নাগৰিকেহে সমৰ্থন কৰিছিল তেনে নহয়। কিছু সংখ্যক বিদেশী নাগৰিকে আনকি বিদেশী মহিলায়ো অংশগ্ৰহণ কৰিছিল এই সংগ্ৰামত। তেনে এগৰাকী নাৰী আছিল আইৰিছ কন্যা মাৰ্গাৰেট এলিজাবেথ ন’বল। জন্মসূত্ৰে এইগৰাকী মহিলা ভাৰতীয় নহ’লেও এওঁ ভাৰতবৰ্ষক অতিকৈ ভাল পাইছিল। এই এলিজাবেথ ন’বল অৰ্থাৎ ভাৰতৰ অগ্নিকন্যাখ্যাত ভগিনী নিবেদিতাই পৰাধীন ভাৰতৰ কোটি কোটি জনসাধাৰণৰ কল্যাণৰ বাবে মৃত্যুৰ দিনলৈকে বিৰামহীনভাৱে কাম কৰি গৈছিল বুলি কয়। ১৮৯৮ চনৰ ১৮ জানুৱাৰীত এলিজাবেথ ন’বলক ভাৰতবৰ্ষৰ ৰামকৃষ্ণ মিছনত অন্তৰ্ভুক্ত কৰোৱা হৈছিল। সেইদিনা যিসকল লোকে অসীম উৎসাহ-উদ্দীপনাৰে তেওঁক অভ্যৰ্থনা জনাইছিল সেইসকলৰ ভিতৰত স্বামী বিবেকানন্দও আছিল। এইগৰাকী মহিয়সী নাৰীক স্বামী বিবেকানন্দই দীক্ষা দি বৰ্তমান যুগৰ ভগিনী নিবেদিতালৈ ৰূপান্তৰিত কৰিছিল। স্বামী বিবেকানন্দই তেওঁক ভাৰতত স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ দায়িত্ব অৰ্পণ কৰিছিল। এইগৰাকী তেজস্বিনী কন্যা ভগিনী নিবেদিতাই ভাৰতবৰ্ষক মাতৃভূমি জ্ঞান কৰি ৰামকৃষ্ণ মিছনৰ সন্ন্যাসীসকলৰ সান্নিধ্যত সমস্ত বেদ-বেদান্ত, হিন্দু দৰ্শন, শিল্প-সংস্কৃতি আৰু আধ্যাত্মিকতা আদি সকলোৰে সৈতে সম্পূৰ্ণ একাত্ম হৈ পৰিছিল। ভাৰতীয় সংস্কৃতি আৰু বিশাল ভাৰতীয় আধ্যাত্মিকতাৰ মাজত গভীৰভাৱে ডুব গৈ তেওঁ অনুভৱ কৰিব পাৰিছিল যে এই মহান ভাৰতবৰ্ষৰ জ্ঞানৰ বীজ বিদেশৰ মাটিত সিঁচিব লাগিব। সেয়ে তেওঁ এই মহান উদ্দেশ্য আগত ৰাখি চিকাগোলৈ গৈ প্ৰথমে স্কুলৰ ছাত্ৰ-ছাত্ৰীক ভাৰতবৰ্ষৰ পুৰাণৰ বিশেষকৈ ভাগৱত শাস্ত্ৰৰ শিশু চৰিত্ৰ ধ্ৰুৱ, প্ৰহ্লাদ, কৃষ্ণ, গোপাল আদিৰ বিষয়ে কৈছিল আৰু বিদেশত হিন্দু দৰ্শনৰ কেন্দ্ৰ খুলি ভাৰতবৰ্ষৰ আধ্যাত্মিক জীৱন, ভাৰতীয় নাৰীসকলৰ আদৰ্শ আৰু ভাৰতীয় সংস্কৃতিৰ বিষয়ে উদাত্ত কণ্ঠে ভাষণ দি ফুৰিছিল। যদিও ভগিনী নিবেদিতাই ভাৰতবৰ্ষৰ বিষয়ে বিদেশত প্ৰচাৰ কৰিছিল তথাপি তেওঁ সময়ে সময়ে কিছু অসুবিধাৰো সন্মুখীন হ’বলগীয়া হৈছিল। ইয়াৰ কাৰণ আছিল ভাৰতৰ পৰাধীনতা। ভাৰতৰ জনগণৰ ওপৰত ইংৰাজ শাসক আৰু ব্যক্তি বিশেষৰ উদ্ভণ্ডালি দেখি এইগৰাকী নাৰীৰ হৃদয়ে হাহাকাৰ কৰি উঠিছিল। তেওঁ মনে-প্ৰাণে ভাৰতক স্বাধীন কৰিবলৈ বিচাৰিছিল। এই উদ্দেশ্য সফল কৰাৰ বাবেই বিভিন্ন সভা-সমিতিত ব্ৰিটিছে ভাৰতক কিদৰে প্ৰতাৰিত কৰি আহিছে, মিছনেৰীয়ে কিদৰে ভাৰতক মিছা অপবাদ দিছে, বিদেশী সংস্কৃতিৰ প্ৰতি ভাৰতৰ মানুহক কিদৰে আকৃষ্ট কৰিবলৈ তেওঁলোকে চেষ্টা কৰিছে সেইবোৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি মুক্ত কণ্ঠে তেওঁ ভাষণ দিছিল। তেওঁ অনুভৱ কৰিছিল যে ভাৰতক স্বাধীন কৰিবলৈ হ’লে ভাৰতত প্ৰচলিত কুপ্ৰথাসমূহ যেনে, বাল্য বিবাহ, সতীদাহ প্ৰথা, বহু বিবাহৰ লগতে নাৰী সমাজৰ বিভিন্ন সমস্যা আদি আঁতৰ কৰিব লাগিব আৰু ইয়াৰ বাবে নাৰীক শিক্ষিত, সাহসী কৰি তুলিব লাগিব। সেইবাবে ভগিনী নিবেদিতাই বিভিন্ন সময়ত প্ৰচলিত এই কু-প্ৰথাবোৰৰ বিষয়ে সভাই-সমিতিয়ে ভাষণ দি এক আলোড়নৰ সৃষ্টি কৰিছিল বুলি কয়।

# ডিব্ৰুগড়ত জুবিন গাৰ্গৰ সোঁৱৰণত চিত্ৰাংকন প্ৰতিযোগিতা, বৃক্ষ ৰোপণ



**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** হাৰ্টথ্ৰ’ব জুবিন গাৰ্গৰ জীৱন দৰ্শন আৰু আৰ্দশক নৱপ্ৰজন্মৰ মাজত প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে গঠিত ‘জুবিন জীৱন ক্ষেত্ৰ’ৰ উদ্যোগত ডিব্ৰুগড় বৰবৰুৱা ৰামেশ্বৰ হায়াৰচেকেণ্ডেৰী স্কুলত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। জুবিন জীৱন ক্ষেত্ৰৰ সভাপতি গিৰীশ পাত্ৰয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰায় ৪০০ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি সাফল্যমণ্ডিত কৰি তোলে। প্ৰতিযোগিতাত ক-শাখাত সমীক্ষা গগৈ প্ৰথম, কৃত্তিক্ষা দত্ত দ্বিতীয়, ৰবিকৃষ্ণা সোণোৱাল তৃতীয় স্থান লাভ কৰে। খ-শাখাত ধৰিত্ৰী দত্ত প্ৰথম, ভাৰ্গৱ বৰুৱা দ্বিতীয় আৰু আয়ুসী আৰণা গগৈ তৃতীয় পুৰস্কাৰ লাভ কৰে। গ-শাখাত প্ৰথম স্থান সুকন্যা ৰাইদিঙীয়া, দ্বিতীয় ধনঞ্জয় বৰুৱা আৰু তৃতীয় স্থান ডেইজী বৰুৱাই লাভ কৰে। ঘ-শাখাৰ প্ৰথম স্থান ঘন বৰুৱা, দ্বিতীয় বৰষা চৌহান আৰু তৃতীয় শৱনম খাতুনে লাভ কৰে। সভাপতি গিৰীশ পাত্ৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাস্কৰ্য শিল্পী ববি মাউট, স্বপ্না গগৈ, নৰেন গগৈ, উপ-সভাপতি মিলন নেওগ, বিজু গগৈ, বিনোদ গগৈ, বাস্তৱ কলিতা, অসীম গগৈ আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি। আনহাতে পুৱাৰ ভাগত সম্পাদক দয়ানন্দ বুঢ়াগোহাঁইয়ে আঁত ধৰা বৃক্ষৰোপণ কাৰ্যসূচীত বৰবৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সাগৰ চেতিয়া, শশাঙ্কৰ বৰুৱা উপস্থিত থাকি বৃক্ষৰোপণ কৰে।

## ৰেগিং

**হেৰম্ব নাথ**

ৰেগিং ৰেগিং
শব্দটো শুনিলেই মনলৈ এক অজান-অবুজ-অচিনাকি আতংক আহে
নৱেঁ দশকত আতংকিত হৈছিলোঁ
ৰেগিংৰ বলি হৈ জীৱন ধ্বংস হোৱা কেইজনমানৰ অলিখিত কাহিনী শুনি
নিজেও অনৰ্থক (ৰেগিং সদৃশ) জ্যেষ্ঠ ছাত্ৰৰ মানসিক নিৰ্যাতনৰ বলি হৈছিলোঁ।
অৱশ্যেই ৰেগিং এটা আতংক সঞ্চাৰিত শব্দ
যিয়ে গাঁৱৰ সহজ সৰল হোজা ল'ৰা-ছোৱালীক ভয়াতুৰ কৰে সহজতে
যিয়ে পংগু কৰিছে হেজাৰ হেজাৰ গাঁৱলীয়া ছাত্ৰৰ জীৱনক
ৰেগিংৰ অৰ্থই বা কি
কি প্ৰয়োজন
যাক আমি যৌৱনৰ উন্মাদনা বুলিও ক'ব পাৰোঁ
কোনোবাই কেতিয়াবা কোৱা শুনো
যৌৱনত ৰেগিং থাকিবই
নহ'লেনো যৌৱনৰ অৰ্থই বা ক'ত?
কোনে কয়- আৰে ৰেগিং থাকিবই হোষ্টেলত
নহ'লোনো হোষ্টেল জীৱনৰ মূল্যায়ন হ'ব কেনেকৈ
হোষ্টেল মানেই ৰেগিং
ৰেগিং মানেই হোষ্টেল
ইচ্ ইচ্ ইচ্
আমি গাঁৱলীয়াবোৰ মস্ত একো একোটা হোজা
হোলাৰ ভাই মোলা
আমি হোষ্টেলৰ আও ভাও নুবুজো নাজানো
নিচিনো নাজানো গাঁৱৰ হোজাবোৰে
ক্লাছিক চিগাৰেট কি
হুইস্কি কি
আৰু নাজানো
গুটখা-ৰজনীগন্ধা কি
চিনি নাপাওঁ অপসৰা চিনেমা হল
নাজানো উডলেণ্ড, লী কপাৰ, এডিডাছ, ৰিব'ক, পাৰ্ক এভিনিও, ক্ৰিমচন ক্লাব, জন প্লেয়াৰ, পিটাৰ ইংলেণ্ড.....
আমি কেৱল কিতাপৰ পাত হে চিনি পাওঁ
গাঁৱৰ হোজা ল'ৰা আমি
আমাৰ ঘামৰ গোন্ধেই পাৰফিউম
আয়ে দিয়া কলাখাৰেই ছেম্পু
নাজানো ড'ভ, ল'টাছ, জ'ভিছ মানে কি
নাজানো ডেনিম কি বস্তু
নাজানো গাৰ্ল ফ্ৰেণ্ড মানে কি
নাজানো ধাবা-ৰেষ্টুৰাৰেণ্ট মানে কি
নাজানো চাওমিন, ম'মো, পোলাও মানে কি
গাঁৱৰ ল'ৰা আমি আই-পিতায়ে দিয়া বস্তুৰেই খাওঁ হেপাঁহেৰে
আৰু এটা কথা
আমি কেৱল সপোন দেখোঁ ভাল মানুহ হোৱাৰ
আই পিতাইৰ সপোন পূৰ্ণ কৰাৰ
কি ভিত্তি আছে-
কলেজ-ইউনিভাৰ্চিটি মানেই ৰেগিং
জ্যেষ্ঠ ছাত্ৰক চিগাৰেট আনি দিব লাগে
ক'ত লিখা আছে-
যৌৱন সৃষ্টিৰ প্ৰতীক
কৃষ্ণচূড়া সৃষ্টিৰ পটভূমি
সৃষ্টিৰ দুৰন্ত প্ৰত্যয়
ৰেগিং কদাপি নহয় যৌৱনৰ প্ৰতীক
ৰেগিং এটা সামাজিক ব্যাধি
প্ৰতিশোধ পৰায়ণতাৰ প্ৰতীক
যাৰ নাম ৰেগিং
যিয়ে হেজাৰ হেজাৰ গাঁৱলীয়া ল'ৰাৰ সপোনক ওলোমাইছে ফাঁচিকাঠত
ই যৌৱনৰ প্ৰতীক নহয়
বৰং ই যৌৱন ধ্বংসৰ অনাহুত প্ৰতীক
যৌৱন নামৰ দুৰন্ত ঘোঁৰাক আঘাত কৰা এপাট অস্ত্ৰ হ'ল ঃ ৰেগিং
সৃষ্টিত এসাগৰ বিষ
অৱচেতন মনত থিতাপি লোৱা ক্ষোভৰ উদগীৰণ
ৰেগিং কদাপি নহয় আৰু হ'ব নোৱাৰে ব্যক্তিত্বৰ পৰীক্ষা
যদিও কোনোবাই কয় (তেনেদৰে)
আজিৰ প্ৰেক্ষাপটত পৰিচিত হ'ব
সেয়া এক নিতান্তই ভ্ৰম।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০



## ভাল পোৱা মানুহবোৰ

**প্ৰভাত বণিয়া**

ভাল পোৱা মানুহবোৰলৈ সদায় বাট চাই থাকো
মানুহবোৰ দেখিবলৈ ধুনীয়া সুশ্ৰী অতি দেখনিয়াৰ হৃষ্টপুষ্ট
মুখত জিলিকি থাকে মনোৰম হাঁহি
পোছাক পৰিচ্ছদ চৌখিন
চৌখিন মন
ভাল পোৱা মানুহ'বোৰলৈ মই ৰৈ থাকো তিনিআলিৰ চ'কত নৈৰ ঘাটত অথবা পদুলি মুখত
আহে বা নাহে অধীৰ অপেক্ষাত উচপিচাই থাকো
ভাল পোৱা মানুহবোৰ মোৰ বৰ আপোন বুকুৰ কুটুম্ব চিন্তাৰ সতেজ ফচল
তেওঁলোকৰ স্নেহসনা এষাৰি মাতত
মই আৱেগ বিহুল হওঁ
আনন্দত আপোন পাহৰা হওঁ
কি সপোন কি দিঠক ভাল পোৱা মানুহবোৰৰ সতে কৰো মধুৰ আলাপ
বিনিময় কৰো জীৱন যৌৱনৰ মধুৰ সংলাপ
তেজ মঙহৰ মানুহ আমি কত আশা কত আকাংক্ষা আমাৰ
জীৱন যুদ্ধত জয় পৰাজয় থাকে
আছে ঘাত-প্ৰতিঘাত
মোৰ প্ৰতিটো শুভ কামতে শুভাকাংক্ষীসকলে মোক জনায় উষ্ণ অভিনন্দন
ভাল পোৱা মানুহৰ আবদাৰত দুখ-কষ্ট সকলো পাহৰিব পাৰি
ভাল পোৱা মানুহবোৰ লগত থাকিলে পাৰ হ'ব পাৰি জীৱনৰ অথাই-সাগৰ
জিনিব পাৰি সমস্ত জগত, দুহাত মেলি দি আকাশ চুব পাৰি
সঞ্চয় কৰিব পাৰি অপাৰ শক্তি অতিক্ৰম কৰিব পাৰি হেলাৰঙে জীৱনৰ দুৰ্জেয় ৰণাংগন
ভাল পোৱা মানুহবোৰ মোৰ
চিৰন্তন বুকুৰ বাসিন্দা আশৈশৱ বন্ধু আপদ কালৰ লগৰী
ভাল পোৱা মানুহবোৰ নহ'লে
ঘৰ সংসাৰ স্তব্ধ
জীৱন অসাৰ
অসাৰ এই বিশাল বিশ্ব-ব্ৰহ্মাণ্ড
ভাল পোৱা মানুহবোৰ মোৰ অমৃতসুধা
প্ৰাণৰ অক্ষয় বন্তি
ভাল পোৱা মানুহবোৰলৈ সেয়ে সদায় মই বাট চাই থাকোঁ তিনিআলিৰ চ'কত নৈৰ ঘাটত অথবা পদুলি মুখত।

## হেৰা ভাই তুমি ক'লৈ যোৱা?

**দীপশিখা বৰা**
কাৰ্বিআংলং, বালিপথা

হেৰা ভাই, তুমি ক'লৈ যোৱা?
পাছলৈ এবাৰ ঘূৰি চোৱা
মোকো তোমাৰ লগতে লৈ যোৱা।
মোৰ দৰে দুখীয়া নিচলা বুলি
পাছলৈ এবাৰ উলটি চোৱা।
হেৰা ভাই, তুমি ক'লৈ যোৱা?
তোমাৰ দৰে মোৰো মন যায়
সদায় স্কুল যাবলৈ,
কিমান যে ভাল লাগে চাগৈ
লগৰ সমনীয়াৰ লগত
এফাঁকি মনৰ কথা পাতিবলৈ।
সৰু থাকোতে মোৰ
বহু সপোন আছিল,
তোমাৰ দৰে এজন ছাত্ৰ হ'বলৈ।
কিন্তু এতিয়া লোকৰ ঘৰত
কাম কৰি কৰি এফাল শৰীৰ
যেন মোৰ মৰহি গ'ল।
মহাজনৰ আদেশ মতে
মই কাম কৰি ফুৰো।
নাপাওঁ মই ক'লৈকো যাবলৈ।
নাপাওঁ মই মুকলি আকাশখনৰ
তলত বহি চৰাই চিৰিকটি,
বন্ধু-বান্ধৱীৰ স'তে
মনৰ এফাঁকি কথা পাতিবলৈ
মহাজনে দিয়া সময়ৰ মূল্যকেইটিও
মোৰ নহয় চলিবলৈ।
হেৰা ভাই,
দুখীয়া নিচলা বুলি
মোক উলটি চোৱা
হেৰা ভাই, তুমি ক'লৈ যোৱা?

**ম'বাইল ঃ** ৮০১১৭-১২৩৮৩

## শৰতৰ বতৰা

**ৰত্না কোঁৱৰ,** চেপন, হলগুৰি

শৰতৰ সন্ধিয়া নামি আহে
সোণালী গধূলিৰ ৰঙত
ধূপ, ধূণাৰ মধুৰ সুবাস
ভাঁহি আহে বতাহত,
দূৰৈৰ একোণত ডবাৰ শব্দ
ৰিণিকি ৰিণিকি বাজি উঠে
শান্তিৰ মৃদু সুৰত...
জিকমিক তৰাই জীপাল কৰে
সন্ধিয়াৰ আকাশক
স্নিগ্ধ জোনাক আৰু শুভ্ৰ শেৱালিৰ সুবাসে
মোক কাণে কাণে কয় যেন
আজি সন্ধ্যা অলপ বিশেষ।

# সন্মান মানুহৰ জীৱনৰ আন এক সম্পদ

■ **নমিতা দাস,** গুৱালকুছি

সন্মান, এই বিশাল জগতৰ অগণন প্ৰাণীৰ ভিতৰত একমাত্ৰ মানুহেহে এই শ্ৰেষ্ঠত্বৰ মুকুত পিন্ধিবলৈ সক্ষম হৈছে। সন্মান এটি শব্দ নহয় ই আমাৰ আৱেগ, অনুভূতিবোৰৰ লগতে জীৱনৰ লগত সংগতি থকা শব্দ, যাক দেখা পোৱা নাযায় উপলব্ধি হে কৰিব পাৰি। জীৱনৰ বাটত সুখ, দুখ থাকিবই কিন্তু সন্মান হৈছে নিজে অৰ্জন কৰা এক মানসিক আৰু সামাজিক স্থিতি। জীৱ শ্ৰেষ্ঠ মানৱ জাতিৰ যিহেতু জ্ঞান আছে পঞ্চ ইন্দ্ৰিয় সজাগ হৈ থাকে সেয়ে প্ৰত্যেকজন ব্যক্তিয়ে সন্মানৰ কথা অনুভৱ কৰে সন্মান কিনিব পৰা নাযায় এজন ব্যক্তিৰ গুণাৱলীয়ে তেওঁৰ সন্মান নিৰুপণ কৰে। শিক্ষা হৈছে সন্মানৰ আন এক আভৰণ সেয়া অকল স্কুল কলেজৰ মাজতে সীমাবদ্ধ হৈ নাথাকে স্বভাৱ চৰিত্ৰ আৰু সামাজিক দায়বদ্ধতায়ো জীৱনলৈ কঢ়িয়াই আনে সন্মান জোৱাৰ। সৰু ডাঙৰ পৰস্পৰে পৰস্পৰক সন্মান কৰি চলাটো প্ৰয়োজন। এজন লোকক তেওঁৰ কৰ্ম অনুসৰি সন্মান প্ৰধান কৰা হয়। আনহাতে বৰ্তমান কিছুমান সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানত নিজৰ ধনৰ বলতো সন্মান নিজৰ হাতলৈ অনা পৰিলক্ষিত হয় কিন্তু সেইজন ব্যক্তিক প্ৰকৃত সন্মান পোৱা নুবুজায়। ধন সম্পত্তি চিৰস্থায়ী নহয় সন্মান ধন সম্পত্তিৰ লগত কোনো তুলনা নহয় যদিও আজিৰ কৃত্ৰিম সমাজ ব্যৱস্থাত ধনৰ প্ৰভাব বাৰুকৈ পৰা দেখা যায়। এজন লোকৰ চৰিত্ৰই বা কৰ্ম দক্ষতাৰ বলত কম-বেছি পৰিমানে সন্মানিত হ'লেও জন্মৰ পৰা পুৰুষানুক্ৰমে সন্মান পোৱা যায়। বংশ মৰ্যদায়ো সন্মান কঢ়িয়াই আনে। আমাৰ কিছুমান পৰিৱেশত ডাঙৰ দীঘল হোৱাৰ ফলত কিছুমান স্বভাৱ গঢ় লয়। আমাৰ স্বভাৱেও আমাৰ সন্মান কঢ়িয়াই আনে। শেষত ক'ব পাৰি যে - নিজৰ আত্মসন্মানখিনি নিজে কেনেকৈ ৰাখিব পাৰি সেইটো নিৰ্ভৰ কৰে ব্যক্তিজনৰ ওপৰত। প্ৰত্যেক ব্যক্তিৰ অন্তৰ্নিহিত গুণাৱলীৰ দৃষ্টি ভংগী, বচনভংগী, সমৰ্থক দেহ ভাষা, আদৰ্শই ব্যক্তিজনৰ মৃত্যুৰ পিছতো সন্মানিত হৈ থাকে চিৰদিন।

# নগাঁৱৰ 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ প্ৰতিষ্ঠা দিৱসৰ লগতে দেশৰ 'গণৰাজ্য দিৱস' উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী স্বৰ্ণ শাখা নগাঁৱৰ 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে দেশৰ ৭৭ সংখ্যক 'গণৰাজ্য দিৱস'টি যোৱা ২৬ জানুৱাৰীত চকৰিগাঁওস্থিত শাখাৰ অস্থায়ী কাৰ্যালয় 'হিৰণ্ময় পুথিভঁৰাল'ত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা চাপাই কৰ্মৰে আৰম্ভ হোৱা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে শাখাৰ প্ৰাক্তন সভাপতি থুলেশ্বৰ বৰাই, ৰাষ্ট্ৰীয় পতাকা আৰু অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ক্ৰমে শাখাৰ উপ-সভাপতি কিৰণ কুমাৰ নেওগ আৰু সভাপতি গোলাপ বৰাই। ইয়াৰ পিছতে শাখাৰ প্ৰয়াত সভাপতি-সম্পাদক সকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন-পুষ্পাঞ্জলি অৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জ্যেষ্ঠ নাগৰিক পুনিৰাম শইকীয়া আৰু লেখিকা মাধৱী দাসে। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা এক বক্তৃতানুষ্ঠানত সভাপতিত্ব কৰে শাখাৰ সভাপতি গোলাপ বৰাই। শাখাৰ সম্পাদক দীপাংকৰ ভুঞাই সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আঁত ধৰা অনুষ্ঠানত 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ ইতিহাস সুঁৱৰি বিস্তৃতভাৱে আলোকপাত কৰে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক, লেখক পুতুল শৰ্মাই। তেওঁ শাখাৰ ইতিহাস সম্পৰ্কত তথ্য সহকাৰে বক্তব্য দাঙি ধৰি শাখাটো কৰ্মৰাজিৰ জৰিয়তে ক্ৰমে উন্নতিৰ শিখৰলৈ আৰোহণ কৰিছে বুলি মন্তব্য কৰে। সভাৰ মাজতে শাখাৰ প্ৰয়াত প্ৰাক্তন সভাপতি-সম্পাদক সকলৰ প্ৰতি শ্ৰদ্ধা জনাই বক্তব্য আগবঢ়ায় শাখাৰ যুটীয়া সম্পাদক জয়ন্ত বৰাই। উক্ত সভাত কবিতা আবৃত্তি পাঠ কৰে ক্ৰমে বসন্ত কৌশিক ভাগৱতী, গোলাপ



বৰা, ৰিন্টু দাস, জেউতি হাজৰিকাই লগতে এটিকৈ গীত পৰিৱেশনেৰে পৰিৱেশটো অধিক জীপাল কৰি তোলে শাখাৰ উপ-সভাপতি দীপিকা বৰা আৰু গোলাপ বৰাই। অনুষ্ঠানত মাধৱ চন্দ্ৰ বৰা, ৰুবী বৰা, গুণ কান্ত বৰা, মিত্ৰ কমল বৰা প্ৰমুখ্যে বহু সাহিত্যানুৰাগী লোকে অংশগ্ৰহণ কৰে। মূল প্ৰাকক্ষণত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গক সুঁৱৰি শাখাৰ এটি নাহৰ পুলি ৰোপণ কৰে শাখাৰ প্ৰাক্তন সভাপতি থুলেশ্বৰ বৰাই।

প্ৰথম পৃষ্ঠাৰ পৰা

# দুলীয়াজান বিধানসভা সমষ্টিত উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ

এই পুঁজিৰে নিজেও ব্যৱসায় কৰিব পাৰে অথবা তৃতীয় বিকল্প হিচাপে এই পুঁজি স্বামী বা পৰিয়ালৰ ব্যৱসায়তো আগবঢ়াব পাৰে। ড° শৰ্মাই কয় যে আগবঢ়োৱা উদ্যমিতা পুঁজিৰ ব্যৱহাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে ছয় মাহৰ পিছত ঘৰে ঘৰে গৈ মূল্যায়নৰ ব্যৱস্থা কৰিব। এই পুঁজিৰ সদ্ব্যৱহাৰ হ'লে পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সেই পুঁজিৰো পুনৰ মূল্যায়ন কৰা হ'ব আৰু সদ্ব্যৱহাৰ কৰাসকলক তৃতীয় বৰ্ষত ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। দুলীয়াজান সমষ্টিত ইতিমধ্যে ৭৫৫২ গৰাকী উদ্যমী মহিলাই নিজ প্ৰচেষ্টা আৰু কষ্টৰ বলত লাখপতি হ'ব পাৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ উদাহৰণ হিচাপে কয় যে ১নং বৰপথাৰ গাঁৱৰ মাকু আত্মসহায়ক গোটৰ সদস্যা বিজুমণি গগৈ বুঢ়াগোহাঁয়ে উদ্যমিতাৰ পথেৰে আগুৱাই আচাৰ প্ৰস্তুত কৰা প্ৰতিষ্ঠানৰ জৰিয়তে মাহে প্ৰায় ২৬,৫০০ টকাকৈ বছৰি ৩.২০ লাখ টকাকৈ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেনেদৰে ২নং চহৰীকটা গাঁৱৰ লখিমী আত্মসহায়ক গোটৰ সদস্যা মুহিতী দাসে ঋতুকালীন শাক-পাচলি উৎপাদনেৰে সম্প্ৰতি মাহে প্ৰায় ২০,০৪৫ টকাকৈ বছৰি প্ৰায় ২.৪০ লাখ টকাকৈ উপাৰ্জন কৰে। ভাষণত তেওঁ সমষ্টিটোৰ ন-খণ্ডীয়া গাঁৱৰ জুৰি চেতিয়া, ১নং নাহৰণি গাঁৱৰ এলিনা কেৰকেট্টা, অভয়পুৰীয়া গাঁৱৰ অঞ্জলি তামুলী, কাবেৰী হাজৰিকা, মীৰা চুতীয়া, লুহিতী দাস, বেবতি চুতীয়া, কৰবী হাজৰিকা, নৱনীতা গোহাই, ৰীণা হাজৰিকা, শিখা ডেকা শইকীয়া আৰু সুমিত্ৰা চুতীয়া, ২নং বকুলনি গাঁৱৰ জুনু লামা, তেলপানি আব-ভি গাঁৱৰ স্বপ্না দাস, অভয়পুৰীয়া গাঁৱৰ হেমা ফুকন, তামুলীখাট গাঁৱৰ কৃষ্ণা গগৈ, নিজ টেঙাখাট গাঁৱৰ লক্ষী চমুৱা, তামুলীখাট গাঁৱৰ অঞ্জু গগৈ, পুষ্পা চেতিয়া, মণিকা ফুকনৰ নাম উল্লেখ কৰি কয় যে এই উদ্যমী মহিলাসকলে সম্প্ৰতি ২.৫৮ লাখ টকাৰ পৰা ৯.১৭ লাখ টকা প্ৰতিবছৰে উপাৰ্জন কৰে। দুলীয়াজান সমষ্টিত ৩০,৫০১ গৰাকী হিতাধিকাৰীয়ে অৰুণোদয় আঁচনি লাভ কৰি আছে বুলি উল্লেখ কৰি সমষ্টিটোত নতুনকৈ দুই হাজাৰ মহিলাক অৰুণোদয় আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ লগতে কয় যে অহা ২০ ফেব্ৰুৱাৰীত অৰুণোদয় আঁচনিৰ জৰিয়তে ৪০ লাখ মহিলাই ৮ হাজাৰ টকাকৈ লাভ কৰিব। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত উদ্যমিতা অভিযান, অৰুণোদয়, নিযুত মইনা, বিনামূলীয়া চাউল আদি প্ৰদানৰ কথা ভাষণত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমানে মাত্ৰ ১০০ টকাতে প্ৰদান কৰি অহা ১ কিলোগ্ৰামকৈ দাইল, চেনী আৰু নিমখ বিনামূলীয়া কৰাৰ লগতে ১ লিটাৰকৈ মিঠাতেল আগন্তুক সময়ত বিনামূলীয়াকৈ প্ৰদানৰ আশ্বাস প্ৰদান কৰে। তেওঁ লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰা বিভিন্ন আঁচনি আৰু পদক্ষেপৰ জৰিয়তে মহিলা সমাজৰ উপৰি ৰাজ্যখনৰ বিভিন্ন স্তৰৰ জনসাধাৰণ উপকৃত হ'বলৈ সক্ষম হৈছে। প্ৰসংগক্ৰমে তেওঁ উল্লেখ কৰে যে দুলীয়াজান সমষ্টিত ১,৬৯৭ গৰাকী ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰাৰ লগতে এটি কলি দুটি পাত আঁচনিৰ জৰিয়তে ১৪,৮৪৮ গৰাকী শ্ৰমিক উপকৃত হৈছে। তেনেদৰে সমষ্টিটোত ৪৮,৫৪৯ খন ৰেচন কাৰ্ডৰ জৰিয়তে বিনামূলীয়া চাউলৰ উপৰি ১০০ টকাতে এক কিলোগ্ৰামকৈ দাইল, চেনী আৰু নিমখ প্ৰদান কৰি অহা হৈছে। ভাষণত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে দুলীয়াজান সমষ্টিত বিগত সময়ছোৱাত বিভিন্ন আন্তঃগাঁথনিমূলক কাম-কাজ ৰূপায়ণেৰে বিকাশৰ দিশত আগবাঢ়ি গৈছে। সমষ্টিটোৰ বাট-পথ নিৰ্মাণৰ বাবেই ৰাজ্য চৰকাৰে প্ৰায় ৬৪৬ কোটি টকা আবণ্টন দিছে বুলি উল্লেখ কৰি তেওঁ কয় যে দুলীয়াজান সমষ্টিত ২০৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ১২৫টা পথ প্ৰকল্প ৰূপায়ণ কৰা হৈছে। কঠালগুৰিৰ পৰা দিচাং কিনাৰ বঙালীলৈ মৰাণ-নাহৰকটীয়া পথৰ উন্নীতকৰণৰ কাম বৰ্তমানে চলি আছে। তেনেদৰে লাহোৱাল নতুন আলি-টিংৰাই তিনিআলি-তিৱাৰীগুলা চাবুৱা-লাহোৱাল পথৰ উন্নীতকৰণৰ কাম বৰ্তমানে চলি আছে আৰু টিংৰাই তিনিআলি এল বি টি পথ আৰু জয়পুৰ আলি পথ হৈ দেওহাল তিনিআলিৰ পৰা মাধপুৰ তিনিআলিলৈ পথৰ উন্নীতকৰণৰ কাম আৰম্ভ হৈছে। মাধপুৰ টিপলিং পথত প্ৰায় ৭২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মীয়মান ৰে'লৰে উৰণ সেঁতুখন অহা ফেব্ৰুৱাৰী মাহত উদ্বোধন কৰিব পৰা যাব বুলিও তেওঁ কয়। নাহৰকটীয়া-দুলীয়াজান পথত প্ৰায় ৫১ কোটি টকা ব্যয়ৰে নিৰ্মীয়মান আন এখন ৰে'লৰে উৰণ সেঁতুৰ কাম প্ৰায় ৫১ শতাংশ সম্পূৰ্ণ হৈছে বুলি তেওঁ লগতে জানিবলৈ দিয়ে। সভাত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে এসময়ত বোমা বিস্ফোৰণ, আন্দোলনৰ দৰে নেতিবাচক ঘটনাসমূহেই অসমৰ পৰিচয় হৈ পৰিছিল কিন্তু বৰ্তমানৰ চৰকাৰৰ বিগত প্ৰায় পাঁচ বছৰীয়া কাৰ্যকালত মেধাভিত্তিক চাকৰি, ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলং, উদ্যোগীকৰণ আদিৰেহে অসম পৰিচিত হৈ পৰিছে। তেওঁ কয়-'আজি অসমে বিকাশ, শিক্ষা আৰু সংস্কৃতিৰে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। বিহু, ঝুমইৰ, বাগুৰুমবা নৃত্যৰ বিশাল আৰু দৃষ্টিনন্দন পৰিৱেশন, চৰকাৰী চাকৰিত ডেৰ লাখৰো অধিক যুৱক-যুৱতীক নিযুক্তি, ৩২ লাখ মহিলালৈ উদ্যমিতাৰ পুঁজি, ৪০ লাখ পৰিয়াললৈ অৰুণোদয় আঁচনি প্ৰদান আদিৰ দৰে পদক্ষেপৰ কথা কোনেও কল্পনা কৰিব পৰা নাছিল।' দুলীয়াজান সমষ্টিত আয়োজিত এই অনুষ্ঠানত বিধায়ক তেৰছ গোৱালা, বিধায়ক তৰংগ গগৈকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, জিলা আয়ুক্তকে ধৰি জিলা প্ৰশাসনৰ বিষয়ববীয়াসকল আৰু হিতাধিকাৰী মহিলাসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে সন্ধিয়া দুলীয়াজানৰ নেহৰু ময়দান ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰীৰ চাহ জনজাতি আৰু আদিবাসী ফুটবল প্ৰতিযোগিতা, ২০২৫-২৬ ৰ ১৭বছৰ অনূৰ্দ্ধৰ ল'ৰাৰ চূড়ান্ত খেলখন উপভোগ কৰে। ৰাজ্যিক পৰ্যায়ৰ এই চূড়ান্ত খেলখনত অৱতীৰ্ণ হোৱা তিনিচুকীয়া আৰু কাছাৰ জিলাৰ দল দুটাৰ খেলুৱৈসকলৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰীয়ে তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে উৎসাহিত কৰে। এই উপলক্ষ্যত সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা সাংসদ ৰামেশ্বৰ তেলী, স্থানীয় বিধায়ক তেৰছ গোৱালা, ভাস্কৰ শৰ্মা, পোণাকন বৰুৱা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু বিভাগীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

তিনি পৃষ্ঠাৰ পৰা

# ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ভূত চিকাৰী (Ghost hunter) 'গৌৰৱ তিৱাৰী' আৰু এক অমীমাংসিত ৰহস্য

-গৌৰৱ তিৱাৰী তেওঁৰ পেছাত অতি সফল আছিল আৰু বিশ্বজুৰি খ্যাতি অৰ্জন কৰিছিল। তেওঁৰ মাত্ৰ কিছুদিন আগতেহে বিবাহ হৈছিল। এজন ব্যক্তিয়ে নিজৰ কেৰিয়াৰৰ শীৰ্ষত থকা অৱস্থাত কোনো বিশেষ কাৰণ নোহোৱাকৈ আত্মহত্যা কৰাটো বহুতৰে বাবে অবিশ্বাস্য।

গৌৰৱে এনেকুৱা বহুতো ঠাইত তদন্ত চলাইছিল যিবোৰ অতিশয় ভয়ংকৰ বুলি গণ্য কৰা হয়। সেইবাবেই গৌৰৱ তিৱাৰীৰ মৃত্যু বিৰাট এক প্ৰশ্নবোধক চিন হৈ থিয় দিয়াৰ বাবে নিৰুপায় হৈ আৰক্ষীয়ে পৰৱৰ্তী সময়ত ইয়াক শ্বাসৰুদ্ধ হৈ হোৱা মৃত্যু বুলি ঘোষণা কৰিছিল যদিও তেওঁৰ মৃত্যুৰ প্ৰকৃত ৰহস্য আজিও বহুতে অতীন্দ্ৰিয় জগতৰ সৈতে জড়িত বুলিয়েই অনুৰাগীসকলে বিশ্বাস কৰে।

গৌৰৱ তিৱাৰীৰ অকাল মৃত্যুৱে কেৱল পেৰানৰ্মেল জগতখনতে নহয়, বৰঞ্চ সত্যৰ সন্ধান কৰা প্ৰতিজন ব্যক্তিৰ হৃদয়তে এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে। তেওঁৰ বৈজ্ঞানিক দৃষ্টিভংগী আৰু অদম্য সাহসে এটা কথা বাৰে বাৰে প্ৰমাণ কৰি থৈ গ'ল যে- আমাৰ এই দৃশ্যমান জগতখনৰ সিপাৰেও এনে কিছুমান ৰহস্যময় শক্তি বিৰাজমান, যাৰ উত্তৰ আজিও আধুনিক বিজ্ঞানৰ পৰিসৰৰ বাহিৰত।

গৌৰৱৰ জীৱন আৰু কৰ্মৰাজিয়ে আমাক এক গুৰুত্বপূৰ্ণ শিক্ষা দি থৈ গ'ল ঃ পৃথিৱীখন ওপৰে ওপৰে যিমান সৰল যেন লাগে, ইয়াৰ আঁৰৰ গভীৰতাত তাতকৈও অধিক জটিল আৰু ৰহস্যঘন এক পৃথিৱী লুকাই আছে। তেওঁ আছিল সেইজন সাহসী পথিক, যিয়ে আন্ধাৰৰ মাজতো পোহৰৰ সন্ধান কৰিছিল আৰু আমাক শিকাইছিল যে অজানাৰ প্ৰতি ভয় নহয়, বৰঞ্চ কৌতূহল আৰু যুক্তিৰেহে আগবঢ়া উচিত।

**ম'বাইল ঃ** ৬০০২৫-৯৪৪৩০

# ডিব্ৰুগড়ত ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ত্ৰিৰংগ পতাকা উত্তোলন

বাবে কাম কৰি যাবলৈ নীতি-নিৰ্দেশনা দিছে। তেওঁ কয় যে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে সংবিধানে স্থাপন কৰা বিধিৰ শপত লৈ অটল, অবিচল, অগ্ৰগামী গতিৰে অসমখন বিকাশৰ অনিৰুদ্ধ গতিৰে আগবঢ়াই নিবলৈ সংকল্প লৈছে। আজিৰ পৰা এক-ডেৰ দশক পূৰ্বে স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱসৰ দিনবোৰ কাৰ্ফিউ আৰু বয়কটৰ দিন আছিল বুলি উল্লেখ কৰি তেওঁ কয় যে এতিয়া সময় সলনি হৈছে আৰু ৰাজ্যবাসীয়ে স্বতঃ স্ফূৰ্তভাৱে এনে দিবসবোৰত অংশ ল'বলৈ ওলাই আহিছে। ভাষণত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে ৰাজ্যৰ লগতে উজনি অসমৰ এই পৰিৱৰ্তিত যাত্ৰাত নতুন গতি দি অহা ৩০ জানুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰায় ৩০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৰাজ্যৰ দ্বিতীয়টো বিধানসভা চৌহদৰ শিলান্যাস কৰিব। যাৰ ফলত আহিবলগীয়া দিনবোৰত ডিব্ৰুগড়ৰ ভূমিৰ পৰা ৰাজ্যৰ ভাগ্য আৰু ভৱিষ্যতৰ সৈতে জড়িত বিষয়ত বিতৰ্ক আৰু আলোচনাৰ জৰিয়তে নতুন সিদ্ধান্ত লৈ ৰূপান্তৰৰ পথেৰে অসম আগুৱাই যাব। ড° শৰ্মাই লগতে উল্লেখ কৰে যে ডিব্ৰুগড়ত গুৱাহাটীৰ উচ্চ ন্যায়ালয়ৰ এক 'চাৰ্কিট বেঞ্চ' স্থাপনৰ বাবে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অনুৰোধ জনোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ডিব্ৰুগড়ৰ পৰা অসমৰ প্ৰশাসনিক আৰু যোগাযোগৰ আন্তঃগাঁথনিৰ ভেটি প্ৰতিষ্ঠা হৈছিল। তদুপৰি অসমৰ ঔদ্যোগিক বিকাশৰো আৰম্ভণি ঘটিছিল ডিব্ৰুগড়ৰ পৰা। যি সামগ্ৰিকভাৱে অসমৰ বিকাশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। কিন্তু পূৰ্বৰ বিৰোধী দলৰ চৰকাৰৰ অমনোযোগিতা, অৱহেলা আৰু অপশাসনৰ বাবে ৰাজ্যৰ ঔদ্যোগিক বিকাশ স্থবিৰ হৈছিল, যাৰ ফলত অৰ্থনৈতিক দিশত গুৰুতৰ সমস্যাই দেখা দিছিল। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰ্শন, আদৰ্শ আৰু অৰ্থনৈতিক দূৰদৃষ্টিৰে আজি অসমখন আগুৱাই গৈছে আৰু ফলত ৰাজ্যখনে অৰ্থনৈতিক পুনৰ জাগৰণৰ নতুন অধ্যায় মুকলি কৰিবলৈ সক্ষম হৈছে। তেওঁ কয় যে ভাৰতীয় বিজাৰ্ভ বেংকৰ তথ্য অনুসৰি যোৱা পাঁচ বছৰত অসমৰ অৰ্থনীতিয়ে ভাৰতৰ সৰ্বাধিক দ্ৰুতগতিত বৃদ্ধি পোৱা ৰাজ্যিক অৰ্থনীতি হিচাপে আত্মপ্ৰকাশ কৰিছে। তদুপৰি মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনো দ্ৰুতগতিত বৃদ্ধি হৈ এটা দশকৰো কম সময়ৰ ভিতৰত ৰাজ্যখনৰ অৰ্থনীতিৰ আকাৰ প্ৰায় তিনিগুণলৈ বৃদ্ধি পাইছে। তেওঁ লগতে কয় যে যোৱা বছৰ ফেব্ৰুৱাৰী মাহত ৰাজ্যত আয়োজিত এডভান্টেজ আছাম ২.০ শীৰ্ষক আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলনত অসমে প্ৰায় পাঁচ লাখ কোটিৰো অধিক টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰিছিল আৰু ইতিমধ্যে প্ৰায় তিনিলাখ কোটি টকাৰ প্ৰকল্প কাৰ্যকৰী হোৱাৰ পথত আগবাঢ়িছে। এনে এখন উজ্জীৱিত অসমৰ প্ৰতিনিধি হিচাপে যোৱা ২০ ৰ পৰা ২২ জানুৱাৰীলৈ ছুইজাৰলেণ্ডৰ ডাভোছত দেশক প্ৰতিনিধিত্ব কৰি ২০২৬ বৰ্ষৰ ৱৰ্ল্ড ইকনমিক ফ'ৰামৰ বাৰ্ষিক বৈঠকত তেওঁ উপস্থিত থকাৰ কথা ব্যক্ত কৰি কয় যে এই বৈঠকৰ জৰিয়তে অসমে প্ৰায় ডেৰ লাখ কোটি টকা নতুন বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰিছে। অসমৰ বিকাশৰ সৈতে কেৱল আন্তঃগাঁথনি নিৰ্মাণৰ কথা জড়িত নাই বুলি মন্তব্য কৰি তেওঁ কয় যে ইয়াৰ সৈতে অসমৰ পৰিচয়ো গভীৰভাৱে জড়িত হৈ আছে। পূৰ্ববংগীয় লোকসকলৰ অনুপ্ৰৱেশে অসমৰ জনগাঁথনিত ব্যাপক প্ৰভাৱ পেলাইছে বুলি উল্লেখ কৰি তেওঁ কয় যে ২০২৭ চনত হ'বলগীয়া লোকগণনাৰ সৈতে ২০১১ চনৰ লোকগণনা তুলনা কৰিলে ৰাজ্যত পূৰ্ববংগীয় লোকৰ সংখ্যা ৪০ শতাংশলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ৰাজ্যৰ ১২ খন জিলা হিন্দু লোক সংখ্যালঘুত পৰিণত হৈছে। অসমৰ ৬৩.৮৮ লাখ বিঘা ভূমি অচিনাকী লোকৰ বেদখলত পৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে পূৰ্বৰ কোনো চৰকাৰে এই বেদখল উচ্ছেদৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰিলে। কিন্তু ২০২১ চনৰ পৰা ৰাজ্য চৰকাৰে ছিপাঝাৰৰ গৰুখুঁটি, বুঢ়াচাপৰি বণ্যপ্ৰাণী অভয়াৰণ্য, লামডিং, পবা, পাইকান, ৰেংমা, দৈয়াং আৰু দক্ষিণ নামবৰ সংৰক্ষিত বনাঞ্চলকে ধৰি বিভিন্ন বেদখলকৃত ভূমিত উচ্ছেদ অভিযান চলাই ডেৰ লাখ বিঘাতকৈ অধিক ভূমি বেদখলমুক্ত কৰিছে।

# প্ৰীতিৰে এসাজ

■ **ৰুমী কলিতা দত্ত,** ডিব্ৰুগড়

হ'বচোন দে, যাওঁ যাওঁ নকৰিবি ঘৰৰে মানুহ।
আজি মাঘৰ বিহু, লগে-ভাগে কটাওঁ।
ৰ' ভাত বনাবলৈ কওঁ, সকলোৱে মিলি খাওঁ।
সি ল'ৰালৰিকৈ পিছফাললৈ ওলাই গ'ল।
খন্তেক সময়ৰ পিছতে গঁড়ালৰ পৰা এটা মস্ত কুকুৰা এটা মাৰি ভিতৰতে পেলাই দিলে।
ধপ্‌কৈ কৰা শব্দটো শুনি সকলোৰে চকু সেইফালে গ'ল। সকলোবোৰে হাঁহিবলৈ ধৰিলে।
কিন্তু মনজ্যোস্নাৰ মনটো সেমেকি উঠিল, ইমান মৰমলগা, ফুটুকীয়া।
উস্ মানুহ ইমান নিষ্ঠুৰ হয় কেনেকৈ? তাই লগে-ভাগে খোৱাৰ ইচ্ছাটো কমি গ'ল।
মানুহক সি ভালপায়, প্ৰাণভৰি ভালপায়। সেই কথাটো সকলোৱে বুজি পায়।
মানুহক ভালপোৱাৰ লগতে জীৱ-জন্তু আৰু প্ৰকৃতিকো ভালপাবলৈ যত্ন কৰিব লাগে। মানুহে যদি সেউজীয়া পাচলিৰে ভাতসাঁজ ভালকৈ খাব লাগে। মাঘবিহুৰ এটি সন্ধিয়া, বাটটোৱে অনেকজন পাৰ হৈছে ঢলং-পলং খোজেৰে। কি লাগে মানুহক।
মদ আৰু মাংস,
কি হৈছে ঘৰখনৰ? সমাজখনৰ?
কোন দিশে ধাৱমান নৱপ্ৰজন্ম? ভাবিৱৰ হ'ল।
ভাবা আৰু জাগা।
**ম'বাইল ঃ** ৯৩৬৫৩-৭৫৩০৩


গুৰুজনাৰ
মহান ঐতিহ্যৰ সংৰক্ষণ
বটদ্ৰৱা
অসমৰ সাংস্কৃতিক স্পন্দন
অসম চৰকাৰ
জনতাৰ চৰকাৰ
my GOV
অটল • অবিচল • অগ্ৰগামী
অসমৰ অনিৰুদ্ধ গতি
২২৭ কোটি টকা ব্যয়েৰে পুনৰ্বিকাশ
বেদখলকৃত ভূমিৰ পুনৰুদ্ধাৰ
বিশ্বমানৰ পৰ্যটনস্থলী
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
SP-86385-77838
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# ‘লোহিত আস্থা’ শুৱালকুছিৰ উদ্যোগত ‘ময়ুন দেৱ মহন্ত বাপা’ৰ সোঁৱৰণত ছবি অঁকা প্ৰতিযোগিতা




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কামৰূপৰ শুৱালকুছিৰ এক ব্যতিক্ৰমী অনুষ্ঠান ‘লোহিত আস্থা ফাউণ্ডেশ্বন’। এক শোকাৱহ দুৰ্ঘটনাত পতিত হৈ বৰ্তমান ‘লোহিত আস্থা ফাউণ্ডেশ্বন’ আৰু ‘ৰিলায়েবল চিল্ক চেণ্টাৰ’ৰ স্বত্বাধিকাৰী বিশ্বজিৎ কাকতিৰ পিতৃ শুৱালকুছিৰ উদ্যোগী ব্যক্তি, সমাজকৰ্মী তথা মহাপুৰুষ গুৰুজনাৰ একান্ত সাধক লোহিত কাকতি, ভনীয়েক আৰু কণমানি ভাগিন ময়ুন দেৱ মহন্ত বাপাক হেৰুৱাবলগীয়া হৈছিল। সেই হৃদয় কপোৱা ঘটনাই মৰ্মাহত কৰি তুলিছিল শুৱালকুছি অঞ্চলৰ সকলো ব্যক্তিক। কণমানি ময়ুন দেৱ মহন্ত বাপাৰ পৱিত্ৰ স্মৃতিত বিগত চাৰি বছৰে ‘লোহিত আস্থা’ ফাউণ্ডেশ্বনে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ‘ছবি অঁকা প্ৰতিযোগিতা’ অনুষ্ঠিত কৰি আহিছে। এইবেলিও ৭৭ সংখ্যক গণতন্ত্ৰ দিৱসৰ লগত সংগতি ৰাখি স্থানীয় ঈশ্বৰ শ্ৰী শ্ৰী হাটীসত্ৰ প্ৰাঙ্গণত পঞ্চম বৰ্ষৰ বাবে ‘ময়ুন দেৱ মহন্ত বাপাৰ’ সোঁৱৰণত ছবি অঁকা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰাথমিক পৰ্যায়ৰ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ অনুষ্ঠিত ছবি অঁকা প্ৰতিযোগিতাত প্ৰায় ৮৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, অংশগ্ৰহণ কৰা সকলো প্ৰতিযোগীকে একোখনকৈ হাৰ্ডবোৰ্ড প্ৰদান কৰে। প্ৰতিযোগিতাৰ আৰম্ভণিতে ‘লোহিত আস্থা ফাউণ্ডেশ্বন’ৰ তৰফৰ পৰা অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ক শাখাত প্ৰথম পৰাগ বৈশ্য (জ্ঞানদ্বীপ একাদেমী, শুৱালকুছি) দ্বিতীয় নিবিড় দাস (অঙ্কুৰ শিশু সদন) তৃতীয় (শিৱম কলিতা, অঙ্কুৰ শিশু সদন) খ শাখাত প্ৰথম ৰক্তাভ কুমাৰ দাস (অঙ্কুৰ শিশু সদন) দ্বিতীয় শঙ্কৰ জ্যোতি মেধি (গণেশ দাস হাইস্কুল) তৃতীয় অম্লান জ্যোতি নাথ (গণেশ দাস হাইস্কুল) গ শাখাত প্ৰথম পাৰজ কলিতা (এঞ্জেলছ ইংলিছ স্কুল) দ্বিতীয় দৰ্শিল জোনাক (এঞ্জেলছ ইংলিছ স্কুল) আৰু তৃতীয় নিলাভ বৈশ্য (শুৱালকুছি পাব্লিক স্কুল) প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ ছাত্ৰ-ছাত্ৰী সকলক একোটিকৈ নাহৰৰ পুলি আৰু বিশেষ বঁটা প্ৰদান কৰা হ’ব বুলি জানিবলৈ দিছে ‘লোহিত আস্থা’ৰ সঞ্চালক বিশ্বজিৎ কাকতিয়ে।

# নগাঁৱৰ ডিউ কেয়াৰ হাস্পতালত ব্লাড বেংক মুকলি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** মধ্য অসমৰ আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠান নগাঁৱৰ ডিউ কেয়াৰ হাস্পতালৰ নতুনকৈ সংস্থাপিত ৰক্ত কেন্দ্ৰটি দেওবাৰে সন্ধিয়া মুকলি কৰা হয়। ভাৰত চৰকাৰৰ বিভাগীয় অনুজ্ঞাপত্ৰ লৈ নিৰ্মাণ কৰা এই ৰক্ত কেন্দ্ৰটি ফিটা কাটি মুকলি কৰে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। বিগত ১৫ বছৰ ধৰি চিকিৎসা সেৱা আগবঢ়াই অহা ডিউ কেয়াৰ হাস্পতালৰ এই ৰক্ত কেন্দ্ৰটিত ২৪ ঘণ্টাই সেৱা উপলব্ধ হ’ব বুলি হাস্পতাল কৰ্তৃপক্ষৰ পৰা জানিব পৰা গৈছে। উদ্বোধনী অনুষ্ঠানত চিকিৎসা প্ৰতিষ্ঠানটিৰ পৰিচালন সঞ্চালক তথা বিশিষ্ট শল্য চিকিৎসক ডাঃ ফৰিদুল হুছেইনকে ধৰি ইউচুফ মেম’ৰিয়েল ছ’চাইটি আৰু চিকিৎসালয়খনৰ সমূহ কৰ্মকৰ্তা উপস্থিত থাকে।




# নগাঁৱৰ ডাছোৱানী ক্লাছত সৰস্বতী পূজা উদ্‌যাপন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত অসমৰ লগতে নগাঁৱৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান ডাছোৱানী ক্লাছত প্ৰতিবৰ্ষৰ দৰে এইবাৰো উলহমালহেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। পূজাৰ লগত সংগতি ৰাখি প্ৰথমে শিক্ষানুষ্ঠানখনত অধ্যয়নত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মঙ্গল আৰু উজ্বল ভৱিষ্যত কামনা কৰি বাগ দেৱীৰ শ্ৰী চৰণত পূজা-অৰ্চনা কৰা হয়। পূজা অৰ্চনাৰ সমাপ্তিৰ পাছত প্ৰসাদ আৰু ভোগ বিতৰণ কৰা হয়। শিক্ষানুষ্ঠানখনৰ পৰিচালনা সঞ্চালক ড° প্ৰাঞ্জল কুমাৰ বৰাই সৰস্বতী পূজা উদ্‌যাপনৰ মাজতেই শিক্ষা প্ৰতিষ্ঠানখনত হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে একাদশ শ্ৰেণীৰ বিজ্ঞান শাখাৰ শ্ৰেণীসমূহ আৰু লগতে নীট আৰু জে, ই, ই পৰীক্ষাত অৱতীৰ্ণ হ’বৰ কাৰণে শ্ৰেণী সমূহৰ পাঠদান অহা এপ্ৰিলৰ পৰা আৰম্ভ কৰা হ’ব বুলি জানিবলৈ দিয়ে। সেয়ে অহা ২৬ জানুৱাৰীৰ পিছতেই শিক্ষানুষ্ঠানখনত উল্লেখিত শ্ৰেণীসমূহৰ নামভৰ্তিকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হ’ব। গতিকে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে নগাঁৱৰ ষ্টেডিয়াম মাৰ্কেটৰ প্ৰথম মহলাত থকা ডাছোৱানী শিক্ষা প্ৰতিষ্ঠানখনলৈ এপাক আহক অথবা ৯৮৬৪৯-২২২৭৭ নম্বৰত অতিশীঘ্ৰে যোগাযোগ কৰক।

# নগাঁৱৰ লায়ন্স ক্লাৱত অনুষ্ঠিত কৰা হয় খাদ্য আৰু কেক বনোৱা প্ৰতিযোগিতা




**বিশেষ সংবাদদাতা, নগাঁও ঃ** মহিলা সকল নিজক নিজেই স্বাৱলম্বী হোৱাৰ প্ৰয়াসৰে কেইবাগৰাকীও মহিলাৰ প্ৰচেষ্টাত প্ৰাণ পাই উঠা ‘আমি সংযোগ কৰো’ (we connect) নামৰ এটি বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাটোৱে ৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে নগাঁও লায়ন্স ক্লাৱৰ পেক্ষাগৃহত এদিনীয়া কাৰ্যসূচীৰে এখনি খাদ্য আৰু কেক তৈয়াৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰে। সংস্থাটোৰ ফালৰ পৰা জানিবলৈ দিয়া মতে জিলা খনৰ ভিন্ন প্ৰান্তৰ পৰা অহা ৩০ গৰাকী প্ৰতিযোগীৰ মাজৰ পৰাই খাদ্য প্ৰতিযোগিতাত প্ৰথম স্থান জিনাত ফাৰহানা, দ্বিতীয় নবীন চন্দ্ৰ বিশ্বাস আৰু তৃতীয় স্থান ফৰিজা খানমে লাভ কৰিবলৈ সক্ষম হয়। আনহাতে কেক প্ৰতিযোগিতাত প্ৰথম স্থান বন্দিতা ভূএঞা কলিতা, দ্বিতীয় স্থান কাব্যশ্ৰী কাশ্যপ আৰু তৃতীয় স্থান পাকিজা বেগমে লাভ কৰিবলৈ সক্ষম হয়। ইপিনে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলো প্ৰতিযোগীকেই চাৰ্টিফিকেট আৰু এটি সৰু উপহাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে প্ৰথম খবৰে মেডিয়া পাৰ্টনাৰ আৰু পৃষ্টপোষকতা হিচাপে দ্যা ফাইন ক্ৰাফ্‌ট, সুৰ্বনা বুটিক, এচ, এন, ক্ৰিয়েচন, ইউৰো ইন্দো স্কুল, বেকাৰচ্ পইন্ট আৰু এম, জে, আই পাৰফিউমে প্ৰতিষ্ঠান সমূহে প্ৰতিযোগিতাখনিত সহায়-সহযোগিতা আগবঢ়োৱাৰ উপৰিও নগাঁৱৰ উদ্যোগপট্টি অজয় মিট্টলে প্ৰতিযোগিতাখনিত যথেষ্ট সহায়-সহযোগিতা আগবঢ়ায়। সংস্থাটোৰ এই পদক্ষেপে উঠি অহা যুৱ চামটোক স্বাৱলম্বী হোৱাৰ পথত যথেষ্টখিনি সহায়ক হ’ব বুলি নগাঁৱৰ এক শ্ৰেণীৰ সচেতন ৰাইজে জানিবলৈ দিয়াৰ লগতে স্বেচ্ছাচাৰী সংস্থাটোৰ প্ৰতিগৰাকী সদস্যালৈ এনে পদক্ষেপ লোৱাৰ বাবে আন্তৰিক সমবেদনা জ্ঞাপন কৰে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা